কংগ্ৰেছ নেতাক কামুৰিলে আৰক্ষীয়ে!

ই-সংবাদ, ২০ ডিচেম্বৰঃ কংগ্ৰেছৰ প্ৰতিবাদৰ সময়ত কাহানিও নোহোৱা-নোপোজা কাণ্ড ৪ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

SATURDAY, DECEMBER 21, 2024 ■ শনিবাৰ, ৫ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৪৮ Guwahati, Assam ।। মূল্যঃ এটকা

## শ্বেখ হাছিনাৰ পতনৰ পিছত বাংলাদেশত হিন্দু নিৰ্যাতন ৫০গুণ বৃদ্ধি

নতুন দিল্লী, ২০ ডিচেম্বৰঃ চুবুৰীয়া বাংলাদেশ আৰু পাকিস্তানত সংখ্যালঘু হিন্দু ধৰ্মাৱলম্বী লোকৰ ওপৰত সংঘটিত শেষাংশ ৬ পৃষ্ঠাত

২৫ ডিচেম্বৰত অনলাইন দৈনিক 'ই-সংবাদ'ৰ সম্পূৰ্ণ হ'ব প্ৰকাশৰ এটা বছৰ

# তিনিগৰাকী বিশেষ ব্যক্তিলৈ 'ই-শিৰোমণি' সন্মান





ই-সংবাদ, ২০ ডিচেম্বৰঃ বৰ্তমানৰ এই ডিজিটেল যুগত প্ৰায় প্ৰতিটো ক্ষেত্ৰতে ডিজিটেলাইজেশ্যনৰ প্ৰভাৱ সুস্পষ্ট হৈ পৰিছে। এই প্ৰভাৱৰ পৰা বাদ পৰি ৰোৱা নাই সংবাদ মাধ্যমো। ইয়াৰ লগে লগে জনমত শেষাংশ ৩ পৃষ্ঠাত

ভূপেন বৰাকে ধৰি বহু নেতাক দিনটোৰ বাবে আটক

# কংগ্ৰেছৰ প্ৰতিবাদ, বিক্ষোভত উত্তাল অসম

## আৰক্ষীৰ বাধাকো নেওচি ৰাজপথ কঁপালে কংগ্ৰেছ নেতা-কৰ্মীয়ে

ই-সংবাদ, ২০ ডিচেম্বৰঃ প্ৰতিবাদ নিষিদ্ধকৰণৰ চৰকাৰী মানসিকতাৰ এক ভয়ংকৰ পৰিণাম দেখা গ'ল শুকুৰবাৰে। স্বৈৰাচাৰী ক্ষমতা বাহাল ২ পৃষ্ঠাত




## হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ওম প্ৰকাশ চৌতালাৰ মৃত্যু



চণ্ডীগড়, ২০ ডিচেম্বৰঃ সত্তৰৰ দশকৰ পৰা ভাৰতৰ ৰাজনীতিক প্ৰভাৱশালী নেতা হিচাপে দপদপাই থকা হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ২নং পৃষ্ঠাত

নিহত ১১, আহত ৪০

## জয়পুৰত দুৰ্ঘটনাত পতিত গেছ টেংকাৰ



জয়পুৰ, ২০ ডিচেম্বৰঃ ৰাজস্থানৰ ৰাজধানী চহৰ জয়পুৰত শুকুৰবাৰে পুৱা এক পথ দুৰ্ঘটনাৰ পিছতে সংঘটিত শেষাংশ ৩ পৃষ্ঠাত

## ২৯ ডিচেম্বৰত নহয় টেট পৰীক্ষা

ই-সংবাদ, ২০ ডিচেম্বৰঃ গুৱাহাটী উচ্চ ন্যায়ালয়ে স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শেষাংশ ৩ পৃষ্ঠাত

## হোটেলত বন্দী যুৱ কংগ্ৰেছৰ শিৰ

ই-সংবাদ, ২০ ডিচেম্বৰঃ প্ৰতিবাদ, আন্দোলন বুলি শুনিলেই সাতজাপ মাৰিবলৈ লৈছে শেষাংশ ৫ পৃষ্ঠাত

হিমন্তৰ মন্তব্যক ওভতি ধৰি অখিল গগৈৰ প্ৰশ্ন

## ৰাজভৱন, জনতা ভৱনৰ সলনি জংঘলত ধৰ্ণা দিম নেকি?

### ৰাজভৱনত ৰাজ্যপালে কেৱল শুই নাথাকেঃ দেৱব্ৰত



প্ৰতিবাদী নেতাক কামুৰিলে আৰক্ষীয়ে!

ই-সংবাদ, ২০ ডিচেম্বৰঃ অসম প্ৰদেশ কংগ্ৰেছৰ 'ৰাজভৱন চলো' কাৰ্যসূচীত অংশ লোৱাৰ সময়তে আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ শ্বেল শেষাংশ ৫ পৃষ্ঠাত

সাংসদ গৌৰৱ, ৰকিবুলৰ প্ৰতিবাদ

## সংসদত মৃদুলক ন্যায় প্ৰদানৰ দাবী



ই-সংবাদ, নতুন দিল্লী, ২০ ডিচেম্বৰঃ কংগ্ৰেছ দলৰ প্ৰতিবাদৰ সময়তে গুৱাহাটীত অসম আৰক্ষীৰ দমনমূলক নীতিৰ বলি হৈ প্ৰাণ শেষাংশ ৩ পৃষ্ঠাত

## কংগ্ৰেছে অসমত গুলীচালনা বিচাৰিছে! দাবী মুখ্যমন্ত্ৰীৰ

### ৰাজনৈতিক দলে প্ৰতিবাদ নকৰে

ই-সংবাদ, গুৱাহাটী-চামগুৰি ২০ ডিচেম্বৰঃ আজি দিনযোৱা কাৰ্যসূচীৰে নগাঁও জিলা ভ্ৰমণ কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। চামগুৰি সমষ্টিৰ আমবাগান শেষাংশ ৪ পৃষ্ঠাত

পুণেৰ বক্তৃতানুষ্ঠানত মোহন ভাগৱতৰ মন্তব্য

## মন্দিৰ নিৰ্মাণ কৰিলেই হিন্দু নেতা হ'ব পৰা নাযায়!



নতুন দিল্লী, ২০ ডিচেম্বৰঃ দেশত সৃষ্ট মন্দিৰ-মছজিদ বিবাদক লৈ উদ্বেগ প্ৰকাশ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী শেষাংশ ৫ পৃষ্ঠাত

## ৰিজুৱানা, হাফিজৰ হিন্দু ধৰ্ম গ্ৰহণ

ই-সংবাদ, ২০ ডিচেম্বৰঃ দেশ তথা ৰাজ্যত হিন্দু-মুছলমানৰ ৰাজনীতিয়ে আবহাৱা প্ৰদূষিত কৰাৰ সময়তে এটা খিলঞ্জীয়া ইছলামধৰ্মী শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ প্ৰতিবাদ, বিক্ষোভত উত্তাল

ৰখা আৰু আন্দোলন নিষিদ্ধকৰণৰ মানসিকতাৰ চাক্ষুষ প্ৰমাণ পোৱা গ'ল শুকুৰবাৰে। গণতান্ত্ৰিক প্ৰমূল্যবোধক ভৰিৰে মোহাৰি অসমৰ শাসক পক্ষই মুখ্য বিৰোধী দল প্ৰয়াত কংগ্ৰেছ কৰ্মী মৃদুল ইছলামক শান্তিপূৰ্ণভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাত সৃষ্টি কৰিলে বাধাৰ। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান বিফল কৰিবলৈ ৰাজপথত আৰক্ষী-অৰ্ধসামৰিক বাহিনী মেলি দি সমগ্ৰ দিনটো উত্তেজিত কৰি ৰাখিলে ৰাজধানী চহৰখনক। শুকুৰবাৰে দিনটোত ৰাজ্যৰ শাসক পক্ষই সষ্টম কৰি ৰখা আৰক্ষী-অৰ্ধসামৰিক বাহিনী আৰু মুখ্য বিৰোধী কংগ্ৰেছৰ বাবে গুৱাহাটী মহানগৰীত এক যুদ্ধ সদৃশ পৰিস্থিতিৰ উদ্ভৱ হয়। অসম প্ৰদেশ কংগ্ৰেছে মৃদুল ইছলাম নিহত হোৱা ঘটনাৰ ন্যায়ৰ দাবী জনাই জনতা ভৱন ঘেৰাও আৰু যুৱ কংগ্ৰেছৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান একেলগে আয়োজন কৰাত দুয়োটা অনুষ্ঠান বিফল কৰিবলৈ উঠি-পৰি লাগিছিল ৰাজ্য চৰকাৰ। ভূপেন বৰাই কালি মৃদুল ইছলামৰ জানাজা সম্পন্ন হোৱাৰ পিছতে ন্যায়িক তদন্তৰ দাবী জনাই জনতা ভৱন ঘেৰাও কৰাৰ হুংকাৰ দিয়ে আৰু যুৱ কংগ্ৰেছে দিছপুৰত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰাত পুৱতি নিশাৰে পৰা কংগ্ৰেছৰ দুয়োটা কাৰ্যসূচী বিফল কৰিবলৈ যুদ্ধংদেহি ৰূপত নামি পৰে আৰক্ষী। যিকোনো বিনিময়ত কংগ্ৰেছৰ কৰ্মীক গোট খোৱাৰ সুযোগ নিদিবলৈ পুৱাৰে পৰা গাড়ীসমূহ নিৰীক্ষণত ৰখা হয়। বাহিৰৰ পৰা সকলো গাড়ী গুৱাহাটীৰ বাহিৰত ৰখাই পৰীক্ষা কৰি কংগ্ৰেছৰ নেতা-কৰ্মী থকা বহু গাড়ী গুৱাহাটীত সোমোৱাত বাধা দিয়ে আৰক্ষীয়ে। চৰকাৰীতন্ত্ৰই সমগ্ৰ গুৱাহাটীত আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ বেষ্টনী গঢ়ি তোলে। ৰাজধানী মছজিদৰ পৰা ছুপাৰ মাৰ্কেটলৈ কেইবাতৰপীয়া বেৰিকেড লগোৱা হয়। তেনে সময়তে বহু যুৱ কংগ্ৰেছৰ নেতা-কৰ্মী আৰু কংগ্ৰেছৰ নেতাই আৰক্ষীৰ চকুত ধূলি দি দিছপুৰস্থিত মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত ভিৰ কৰে। মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সৰ সন্মুখত একাংশ যুৱ কংগ্ৰেছীক টনা-আঁজোৰা কৰাত হতাহত হয়। আৰক্ষীৰ নিশ্চিদ্ৰ পহৰাৰ মাজতে মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত কেইবা হাজাৰ কংগ্ৰেছৰ নেতা-কৰ্মীয়ে ভিৰ কৰে। প্ৰথমে মৃদুল ইছলামক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তাৰ পিছতে অনুষ্ঠিত স্মৃতিচাৰণ সভাত যুৱ কংগ্ৰেছৰ কেইবাজনো নেতাই ভাষণ প্ৰদান কৰি বিজেপি দল আৰু চৰকাৰক সমালোচনা কৰে। স্মৃতিচাৰণ সভাৰ পিছতে এক সমদল উলিয়াবলৈ সাজু হয় কংগ্ৰেছৰ নেতা-কৰ্মী। নেতা-কৰ্মীসকলে মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সৰ পৰা ওলাই আহিবলৈ প্ৰয়াস কৰে যদিও পূৰ্বৰে পৰা দি থোৱা বেৰিকেড আৰু শ-শ আৰক্ষীয়ে ভেটা দিয়ে। সেই সময়ত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় আৰু একাংশ নেতাই বেৰিকেড বগাই পাৰ হোৱাৰ প্ৰয়াস কৰে যদিও আৰক্ষীয়ে বাধা দিয়ে। শুকুৰবাৰে কংগ্ৰেছৰ নেতা-কৰ্মীৰ ৰাজপথৰ উত্তাল প্ৰতিবাদ আৰু আৰক্ষীৰ যুদ্ধংদেহি তৎপৰতাই সমগ্ৰ চহৰখনকে উত্তেজিত কৰি ৰাখে। অসম চৰকাৰে কংগ্ৰেছৰ প্ৰতিবাদ তথা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান কঠোৰ হাতেৰে দমন কৰিবলৈ মন বান্ধি লৈছিল। সেই অনুযায়ী নিশাৰে পৰা বিভিন্ন হোটেলত বাহৰ পাতি থকা যুৱ কংগ্ৰেছৰ নেতাক বিচাৰি অভিযান চলায় আৰক্ষীয়ে। চিটি চেণ্টাৰৰ সমীপৰ মাণিক নগৰস্থিত আই আৰ আই এছ নামৰ হোটেলখনত নৈশযাপন কৰা যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি উদয় ভানু শিৱক দিনটোৰ বাবে বন্দী কৰা হয়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ লগতে প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুন বৰা, সামাজিক মাধ্যম কোষৰ অধ্যক্ষ ৰাতুল কলিতা, যুৱ কংগ্ৰেছৰ সভাপতি জুবেৰ আনমক আটক কৰি বিভিন্ন থানাত বন্দী কৰা হয়। ভেটাপাৰাৰ ঘৰৰ পৰা হাতীগাঁৱেৰে মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সলৈ আহি থকাৰ সময়তে হাতীগাঁও আৰক্ষীয়ে গাড়ী ৰখাই ভূপেন বৰাক আটক কৰে। জোৰ-জবৰদস্তি আৰক্ষীৰ গাড়ীত ভৰাই কাহিলীপাৰালৈ নি বন্দী কৰে ভূপেন বৰাক। আৰক্ষীয়ে দশম আৰক্ষী বাহিনীৰ কাহিলীপাৰাস্থিত ছাউনীত বন্দী কৰি ৰাখে। দিনটোৰ শেষত সন্ধিয়া প্ৰায় ৬ বজাৰ পিছত আৰক্ষীয়ে মুকলি কৰি দিয়ে সকলো নেতা-কৰ্মীক। উল্লেখ্য যে, ১৮ ডিচেম্বৰত দুপৰীয়া উজান বজাৰৰ ৰাজভৱন এলেকাত বিজেপিৰ দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ শ্বেল গাত লাগি প্ৰাণ হেৰুওৱা মৃদুল ইছলামক শ্বহীদ ঘোষণা কৰিছিল প্ৰদেশ কংগ্ৰেছে। কংগ্ৰেছৰ শ্বহীদ মৃদুল ইছলামক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ আজি প্ৰদেশ যুৱ কংগ্ৰেছে দিছপুৰৰ মানবেন্দ্ৰ শৰ্মা কমপ্লেক্সত আয়োজন কৰিছিল শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান। এই অনুষ্ঠান বিফল কৰিবলৈ নিশাৰে পৰা সমগ্ৰ গুৱাহাটীত আৰক্ষী মেলি দিছিল হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে। লাষ্টগেট, ছুপাৰ মাৰ্কেট, ৰাজধানী মছজিদ, গণেশগুৰি, ভেটাপাৰা, বেলতলা, খানাপাৰা আদি এলেকাত শ-শ নিৰাপত্তাৰক্ষী মোতায়েন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান বিফল কৰিবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হয়। ইফালে, ৰাজ্যৰ মুখ্য বিৰোধী দল কংগ্ৰেছে তেওঁলোকৰ নেতাৰ অবাঞ্চিত মৃত্যুৰ ন্যায়িক তদন্তৰ দাবী উত্থাপন কৰিছে। ন্যায়ৰ দাবীৰে আন্দোলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ বাবে ওলাই অহাৰ সময়তে আৰক্ষী-অৰ্ধসামৰিক বাহিনী জপিয়াই পৰে কংগ্ৰেছৰ নেতা-কৰ্মীৰ ওপৰত। কংগ্ৰেছৰ প্ৰতিবাদ দমনৰ বাবে যুদ্ধংদেহী ৰূপত উঠি-পৰি লাগে নিৰাপত্তাৰক্ষী। যাৰ ফলত কে'বাজনো কংগ্ৰেছ কৰ্মী আহত হয়। বিজেপি চৰকাৰৰ এনে কাণ্ডক ধিক্কাৰ জনাইছে প্ৰদেশ কংগ্ৰেছৰ কেবাজনো নেতাই। উল্লেখ্য যে, আজি প্ৰদেশ কংগ্ৰেছে জনতা ভৱন ঘেৰাও কাৰ্যসূচী ৰূপায়ন কৰাৰ ঘোষণা কৰিছিল। মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত যুৱ কংগ্ৰেছে আয়োজন কৰিছিল শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। দুয়োটা কাৰ্যসূচী বিফল কৰিবলৈ মহানগৰ আৰক্ষীয়ে গুৱাহাটীত অভেদ্য দুৰ্গ গঢ়ি তোলে। কংগ্ৰেছ কৰ্মীক বাধা দিবলৈ গুৱাহাটী পূব জিলাত এছএছবি আৰু চিআৰপিএফ জোৱান মোতায়েন কৰা হয়। কন্দুৱা গেছ, লাঠি, বজ্ৰবাহন, অগ্নি নিৰ্বাপক বাহিনী সাজু কৰি ৰখা হয়। আনহাতে, জনতা ভৱন চৌহদ, মানবেন্দ্ৰ শৰ্মা কমপ্লেক্স, গণেশগুৰি, ৰাজধানী মছজিদ, ভেটাপাৰা, হাতীগাঁও, বেলতলা, চুপাৰ মাৰ্কেট, ছয়মাইল, খানাপাৰা আদি এলেকাত কটকটীয়া নিৰাপত্তা বেষ্ট গঢ়ি তোলে আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ওম প্ৰকাশ

ওম প্ৰকাশ চৌতালাৰ আজি দেহাৱসান ঘটে। দীৰ্ঘদিনে অসুস্থ হৈ আছিল যদিও আজি ৮৯ বছৰ বয়সত গুৰুগ্ৰামত শেষ নিশ্বাস ত্যাগ কৰে নেতাগৰাকীয়ে। শুকুৰবাৰে পুৱা স্বাস্থ্যৰ অৱনতি ঘটাত ততাতৈয়াকৈ গুৰুগ্ৰামৰ মেদান্ত চিকিৎসালয়ত তেওঁক ভৰ্তি কৰা হৈছিল। ১৯৩৫ চনৰ ১ জানুৱাৰীত হাৰিয়ানাৰ ছিৰছা জিলাৰ চৌটালা গাঁৱত জন্মগ্ৰহণ কৰিছিল ওম প্ৰকাশ চৌতালাই। শৈশৱৰ পৰাই ৰাজনীতিৰ পৰিৱেশ ডাঙৰ-দীঘল হোৱা ওম প্ৰকাশ চৌতালাৰ পিতৃ আছিল দেশৰ প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী চৌধুৰী দেৱীলাল। ১৯৮৯ চনৰ ডিচেম্বৰ মাহত চৌধুৰী দেৱীলাল উপ-প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ সময়ত মুখ্যমন্ত্ৰী পদত এৰি দিবলগীয়া হোৱাত পুত্ৰ ওম প্ৰকাশ চৌতালাক মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত কৰিছিল। ইণ্ডিয়ান নেচনেল লোকদলৰ ৰাষ্ট্ৰীয় অধ্যক্ষ হিচাপে দীৰ্ঘকাল কাৰ্যনিৰ্বাহ কৰাৰ লগতে ৭ বাৰ বিধায়ক, ৫ বাৰ হাৰিয়ানাৰ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈছিল। কিন্তু এবাৰহে ২০০০ চনত সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰি ৫ বছৰ ওম প্ৰকাশ চৌতালা মুখ্যমন্ত্ৰী হৈ আছিল। ১৯৮৯ চনৰ পৰা ১৯৯১ চনলৈ ডেৰ বছৰৰ ভিতৰত তিনিবাৰকৈ মুখ্যমন্ত্ৰী হিচাপে শপত লৈ ৰেকৰ্ড গঢ়িছিল। হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব ছাইনী, প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ হুডাই চৌতালাৰ মৃত্যুক শোক প্ৰকাশ কৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জয়পুৰত দুৰ্ঘটনাত পতিত গেছ টেংকাৰ

প্ৰচণ্ড বিস্ফোৰণ আৰু অগ্নিকাণ্ডত কৰুণ মৃত্যুক সাবতি লয় এঘাৰজনকৈ লোকে। এই ভয়ংকৰ কাণ্ডত ৪০ জনৰো অধিক লোক আহত হোৱাৰ লগতে কেইবাজনৰো অৱস্থা সংকটজনক হৈ আছে। মৃতকৰ সংখ্যা বৃদ্ধি পোৱাৰো আশংকা কৰা হৈছে। শুকুৰবাৰে পুৱা প্ৰায় ৫:৩০ বজাত জয়পুৰ-আজমেৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পেট্ৰ'ল পাম্পৰ সমীপত সংঘটিত হয় এই দুৰ্ঘটনা। এখন ট্ৰাকে চিএনজি টেংকাৰ এখনত খুন্দা মৰাৰ ফলত ট্ৰাকখনত জুই লাগে আৰু কিছু মুহূৰ্তৰ ভিতৰতে বিস্ফোৰণ ঘটে। বিস্ফোৰণৰ তীব্ৰতাৰ বাবে ৩০০ মিটাৰ এলেকাত বিয়পি পৰে জুই। অগ্নিকাণ্ডত একাধিক গাড়ী জ্বলি যায়। গাড়ীৰ ভিতৰত অগ্নিদগ্ধ মৃত্যু ঘটে বহু লোকৰ। স্থানীয় সূত্ৰৰ মতে, বিস্ফোৰণৰ তীব্ৰতা ইমানেই বেছি আছিল যে ১০ কিলোমিটাৰ দূৰৰ পৰা  শব্দ শুনা গৈছিল। পেট্ৰ'ল পাম্পৰ সমীপত ৰাসায়নিক আৰু তেল টেংকাৰত অগ্নিকাণ্ড সংঘটিত হোৱাৰ ফলত ইখনৰ পিছত সিখন টেংকাৰ বিস্ফোৰণ ঘটে। অগ্নিকাণ্ডত কেইবাখনো ট্ৰাক জ্বলি যায়। ইফালে, দুৰ্ঘটনাৰ খবৰ পোৱাৰ পিছতে ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই আহতসকলক চাবলৈ চিকিৎসালয়ত উপস্থিত হয়। তেওঁ মৃতকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি আহতসকলক সকলো ধৰণৰ চিকিৎসা সহায় আগবঢ়াবলৈ নিৰ্দেশ দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২৯ ডিচেম্বৰত নহয় টেট পৰীক্ষা

টেট পৰীক্ষাত স্থগিতাৰ নিৰ্দেশ দিছে। ২৯ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ টেট পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ কঠোৰ নিৰ্দেশ দিছে। ২৯  ডিচেম্বৰৰ পৰা কমেও ১৫ দিনৰ পিছতে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশ দিছে।  কম সময়ৰ ব্যৱধানত ভিতৰত পাঠ্যসূচী ঘোষণা কৰাত পৰীক্ষাত বহিবলগীয়া পৰীক্ষাৰ্থীয়ে শিক্ষা বিভাগৰ বিৰুদ্ধে নাৰাজ হৈ ন্যায়ালয়ৰ কাষ চাপিছিল। স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ টেট পৰীক্ষা অহা ২৯ ডিচেম্বৰত অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু ২৯ ডিচেম্বৰত টেট পৰীক্ষা অনুষ্ঠিত কৰিব নোৱাৰিব বুলি কয় ন্যায়ালয়ে। তাৰ পৰিৱৰ্তে ন্যূনতম ১৫ দিনৰ পাছত পৰীক্ষা অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিছে ন্যায়ালয়ে। জানিব পৰা মতে, ৫ ডিচেম্বৰত পৰীক্ষাৰ বাবে নতুন পাঠ্যসূচী ঘোষণা কৰিছিল ৰাজ্যৰ শিক্ষা বিভাগে। কিন্তু পৰীক্ষালৈ মাথোঁ ২২ দিন বাকী থকা অৱস্থাত নতুন পাঠ্যসূচী ঘোষণা কৰে। শিক্ষা বিভাগৰ এনে টোঘলকী কাণ্ডত নাৰাজ হৈ একাংশ পৰীক্ষাৰ্থী। উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। গোচৰটোৰ শুনানি গ্ৰহণ কৰি ন্যূনতম ১৫ দিনৰ পাছত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছে উচ্চ ন্যায়ালয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তিনিগৰাকী বিশেষ ব্যক্তিলৈ 'ই-

গঠন আৰু সামাজিক সমস্যাসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰতো বৰ্তমান শক্তিশালী হৈ পৰিছে ডিজিটেল মাধ্যম। ব্ৰেকিং নিউজৰ পৰিৱৰ্তে বিতং বাতৰি প্ৰকাশত গুৰুত্ব দি অহা 'নিউজ নেক্সট ওৱান' বহুল চৰ্চিত নহ'লেও, অসমৰ ডিজিটেল সংবাদ ক্ষেত্ৰখনৰ এটি পুৰণি নাম। বিগত ৯ বছৰ ধৰি 'নিউজ নেক্সট ওৱান'-এ আপোচহীনভাৱে ডিজিটেল মাধ্যমত স্বতন্ত্ৰ আৰু লাভবিহীন সাংবাদিকতা কৰি আহিছে। মালিক গোষ্ঠী অবিহনে শুভকাংক্ষী আৰু সচেতন ৰাইজৰ সহায়-সহযোগিতা, দান-বৰঙণিৰে 'নিউজ নেক্সট ওৱান'-এ ২০১৬ চনৰ পৰা সততা আৰু দায়বদ্ধতাৰে সাংবাদিকতা কৰিবলৈ আগ্ৰহী এদল সাংবাদিকৰ সক্ৰিয় অংশগ্ৰহণেৰে ডিজিটেল সংবাদ ক্ষেত্ৰখনত নিজৰ সেৱা আগবঢ়াই যাবলৈ যৎপৰোনাস্তি প্ৰয়াস অব্যাহত ৰাখিছে। 'নিউজ নেক্সট ওৱান'ৰ বুকুতেই আজিৰে পৰা এবছৰ পূৰ্বে পোখা মেলিছিল 'ই-সংবাদ'-এ। 'ই-সংবাদ' এখন সম্পূৰ্ণ অনলাইন দৈনিক খবৰ কাকত। ২০২৩ চনৰ ২৫ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা 'ই-সংবাদে' এবছৰ সম্পূৰ্ণ কৰাৰ সুবাদত ইণ্টাৰনেটৰ এই যুগত সামাজিক মাধ্যমৰ যোগেদি জনমত গঠনত শক্তিশালী ভূমিকা পালন কৰি অহা দুগৰাকী বিশিষ্ট সাংবাদিক আৰু এগৰাকী সফল চলচিত্ৰ নিৰ্মাতাক 'ই-শিৰোমণি' সন্মান আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই অনুযায়ী গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি তথা বিশিষ্ট সাংবাদিক সুস্মিতা গোস্বামী, ৰজত কমল বঁটা লাভ কৰা চলচিত্ৰ নিৰ্মাতা তথা সামাজিক মাধ্যমত সামাজিক ন্যায়ৰ দিশসমূহ যুক্তিসন্মতভাৱে উপস্থাপন কৰি অহা লুইত কুমাৰ বৰ্মন আৰু অসমৰ ডিজিটেল সংবাদ ক্ষেত্ৰখনৰ আগশাৰীৰ সাংবাদিক, সু-লেখক মৃদুল কুমাৰ সন্দিকৈলৈ এই সন্মান আগবঢ়োৱা হৈছে। অহা ২৫ ডিচেম্বৰ, বুধবাৰে গুৱাহাটী প্ৰেছ ক্লাৱত বিশিষ্ট শিক্ষাবিদ তথা চিন্তাবিদ ড০ দীনেশ বৈশ্যৰ পৌৰহিত্যত অনুষ্ঠিত হ'বলগীয়া এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই তিনিগৰাকী বিশিষ্ট ব্যক্তিক এই সন্মান প্ৰদান কৰা হ'ব। এই অনুষ্ঠানতে "ছ'চিয়েল মিডিয়া আৰু অসমৰ সাংবাদিকতা" শীৰ্ষক এক বক্তৃতানুষ্ঠানৰো আয়োজন কৰা হৈছে। বক্তৃতা প্ৰদান কৰিব জনপ্ৰিয় সাংবাদিক, বাৰ্তালাপৰ প্ৰতিষ্ঠাপক তথা সু-বক্তা চক্ৰপাণি পৰাশৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংসদত মৃদুলক ন্যায় প্ৰদানৰ দাবী

হেৰুওৱা কংগ্ৰেছ নেতা মৃদুল ইছলামক ন্যায় প্ৰদানৰ দাবীৰে শুকুৰবাৰে দিল্লী কঁপালে কংগ্ৰেছৰ সাংসদসকলে। যোৰহাট সমষ্টিৰ সাংসদ গৌৰৱ গগৈ আৰু ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ নেতৃত্বত শুকুৰবাৰে সংসদ চৌহদত বিৰোধী দলটোৰ সাংসদসকলে মৃদুল ইছলামৰ মৃত্যুৰ ন্যায় বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰে। এই প্ৰতিবাদৰ পিছতে গৌৰৱ গগৈয়ে কয়, "কেন্দ্ৰ তথা ৰাজ্যত বিজেপি চৰকাৰে সংঘটিত কৰা সকলো ধৰণৰ অত্যাচাৰৰ বিৰুদ্ধে আমি মাত মাতিম। আদানি, মোদী আৰু হিমন্ত বিশ্বৰ শৰ্মাৰ দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰি অসম আৰক্ষীৰ হাতত প্ৰাণ হেৰুৱালে মৃদুল ইছলামে।" উল্লেখ্য যে, কংগ্ৰেছৰ 'ৰাজভৱন চলো' কাৰ্যসূচীৰ সময়তে প্ৰাণ হেৰুওৱা ৪৫ বৰ্ষীয় অধিবক্তা মৃদুল ইছলাম আছিল অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ আইনী কোষৰ সম্পাদক। ৰাজ্যিক কংগ্ৰেছৰ নেতাসকলে দাবী কৰিছে যে ৰাজভৱনৰ সন্মুখত প্ৰতিবাদৰ সময়ত প্ৰতিবাদকাৰীলৈ লক্ষ্য কৰি আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ শ্বেলে আঘাত কৰে মৃদুলক। লগে লগে ঢলি পৰা কংগ্ৰেছ নেতাজনক জিএমচিএইচলৈ লৈ যোৱা হয় যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। ইফালে ইছলামৰ মৃত্যুক লৈ ৰাজ্যত সৃষ্টি হৈছে ৰাজনৈতিক অস্থিৰতাৰ। কংগ্ৰেছৰ অভিযোগ যে বিৰোধী দলৰ ওপৰত বিজেপি চৰকাৰৰ অত্যাচাৰ বাঢ়িছে। এপিচিচিৰ সভাপতি ভূপেন কুমাৰ বৰাই কয়, "মৃদুল ইছলামৰ মৃত্যু স্বাভাৱিক নাছিল। হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে শান্তিপূৰ্ণ প্ৰতিবাদকাৰীৰ ওপৰত এই পদ্ধতিগত দমন অভিযান চলাইছিল। এয়া হত্যাকাণ্ড।" উল্লেখ্য যে, মণিপুৰ সংকট, আদানি কেলেংকাৰীৰ তদন্ত আৰু হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্নীতিৰ তদন্তৰ দাবীৰে সোমবাৰে কংগ্ৰেছে আৰম্ভ কৰিছিল ৰাজভৱন চলো কাৰ্যসূচী। এই ঘটনাৰ পিছত গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইনে বকোলৈ গৈ ইছলামৰ পৰিয়ালক সাক্ষাৎ কৰি ন্যায়ৰ আশ্বাস দিয়ে। নিহত নেতাজনৰ পৰিয়ালক সাক্ষাতৰ পিছত গগৈয়ে কয় যে মৃদুল আছিল এজন নিষ্ঠাবান কংগ্ৰেছ কৰ্মী যিয়ে ৰাইজৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছে। তেওঁ কংগ্ৰেছৰ কামৰূপ জিলা আইনী কোষৰ সম্পাদক আৰু কামৰূপ (গ্ৰাম্য) জিলা ডিজিটেল বাহিনীৰ সমন্বয়ক হিচাপে কাম কৰি আহিছে। তেওঁৰ মাতৃ ফাতেমা বেগমে ১৫ বছৰ ধৰি কংগ্ৰেছ দলক প্ৰতিনিধিত্ব কৰি আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছে অসমত গুলীচালনা বিচাৰিছেঃ

উচ্চতৰ মাধ্যমিক বিদ্যালয়, নগাঁও চহৰৰ ডচন স্কুল খেলপথাৰত চৰকাৰী আঁচনি বিতৰণৰ সভাত অংশ লয়। বিকাশৰ ১২ দিন কাৰ্যসূচীক লৈ অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰীয়ে নগাঁও চহৰৰ ডচন স্কুল খেলপথাৰত ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ৩,৪৫০ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীৰ মাজত স্কুটী বিতৰণ কৰে। মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়ণৰত ১৬,৫৬০ গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল বিতৰণ কৰে। আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা তাতোধিক নম্বৰ লাভ কৰা ১,৮৫৬ গৰাকী ছাত্ৰ-ছাত্ৰীক ডিবিটি যোগে নগদ পুৰস্কাৰ প্ৰদান কৰে। চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ পাছত আজি প্ৰথমবাৰ আমবাগানত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে আমবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত নগাঁও জিলাৰ বাবে কেবাটাও উপহাৰ ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে অহা বৰ্ষৰ আগষ্ট মাহত আমবাগানত ৩০ খন বিছনাযুক্ত আদৰ্শ চিকিৎসালয়ৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰাৰ ঘোষণা কৰিছে। আমবাগান বজাৰত অত্যাধুনিক পূজাবাড়ী নিৰ্মাণৰ বাবে ৫০ লাখ টকা, অহা আগষ্ট মাহত লাওখোৱা চিকিৎসালয়ক আদৰ্শ চিকিৎসালয়লৈ উন্নীতকৰণ, আমবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ উন্নয়নৰ বাবে ২ কোটি টকা, লাওখোৱা উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে সম্প্ৰসাৰণ। আমবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবে ৮ কোটি টকা, লাওখোৱা বিদ্যালয়ৰ বাবে ৮ কোটি টকাৰ অনুদান ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে নগাঁৱৰ পৰাই কংগ্ৰেছে গুৱাহাটীত সাব্যস্ত কৰি অহা প্ৰতিবাদক তীব্ৰ সমালোচনা কৰিছে। অসম কংগ্ৰেছৰ নেতাসকলে গুৱাহাটীত এক নেতিবাচক পৰিৱেশ ৰচনাৰ কু-অভিসন্ধি কৰি আহিছে বুলি অভিযোগ আনে। কংগ্ৰেছৰ মাজত কোন শ্ৰেষ্ঠ নেতা হ'ব পাৰে তাৰ প্ৰতিযোগিতা চলিছে আৰু এই প্ৰতিযোগিতাত নিজক প্ৰতিপন্ন কৰাৰ যুঁজত গুৱাহাটীবাসীক ব্যৱহাৰ কৰাৰ চক্ৰান্ত কৰিছে। কংগ্ৰেছৰ তিনি নেতাৰ মাজত প্ৰতিযোগিতা চলিছে। গুৱাহাটীৰ মানুহক পণবন্দী কৰি লৈছে কংগ্ৰেছে। কংগ্ৰেছৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি হিমন্ত বিশ্ব শৰ্মাই কয় যে অসমত গুলীচালনা হোৱাতো বিচাৰিছে কংগ্ৰেছে। কংগ্ৰেছে অসমখন অশান্ত কৰিব বিচাৰিছে। ৰাজনৈতিক দল আন্দোলনকাৰী নহয়। ৰাজনৈতিক দলৰ আন্দোলন হয় বেলট বাকচত। গুৱাহাটীত তেওঁলোকে গণ্ডগোল হোৱাটো বিচাৰিছে। আমিও চাম যাতে গণ্ডগোল কৰিব নোৱাৰে। অসমত পূৰ্বে হত্যা-হিংসাৰ বাতৰিয়ে ঠাই পাইছিল বুলি দাবী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমত আজিকালি আন্দোলন নাই। আমাৰ জীৱন আৰু যৌৱন গঢ় লৈছিল হত্যা-হিংসাৰ মাজত। এতিয়াৰ যুৱপ্ৰজন্মৰ যৌৱন গঢ় লৈছে বিকাশৰ মাজত। পূৰ্বে বাতৰি কাকতত প্ৰতিদিনেই গঁড় হত্যাৰ বাতৰি প্ৰকাশিত হৈছিল। বেয়া পোৱাসকলেও স্বীকাৰ কৰিব যে ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হৈছে, মেডিকেল কলেজ হৈছে। যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি উদয় ভানু শিৱক হোটেলত বন্দী কৰা সন্দৰ্ভত কয় যে হিমাচলৰ পৰা অসমত উৎপাত কৰিব আহিছে তেওঁ। হোটেলত থৈছো, কিন্তু তেওঁ জে'ললৈ যাব লাগিছিল। বেলেগ ৰাজ্য হ'লে জে'ললৈ প্ৰেৰণ কৰিলেহেঁতেন। মুখ্যমন্ত্ৰীৰ কাৰ্যসূচীত মন্ত্ৰী বিমল বৰা, পীযুষ হাজৰিকা, বিধায়ক পদ্ম হাজৰীকা, ৰূপক শৰ্মা, জিতু গোস্বামী আৰু দিপ্লুৰঞ্জন শৰ্মা, বিজেপিৰ কলিয়াবৰ জিলা সমিতিৰ সভাপতি বাবুল বৰা, হোজাই জিলা সমিতিৰ সভাপতি অনুপ দেৱ, অগপৰ নগাঁও জিলা সমিতিৰ সভাপতি মনিমাধৱ মহন্ত, কলিয়াবৰ বিধানসভা সমষ্টি সমিতিৰ সভাপতি তিলক নাথ উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰিজুৱানা, হাফিজৰ হিন্দু ধৰ্ম গ্ৰহণ

পৰিয়ালে নাম আৰু উপাধি সলনি কৰি হিন্দু ধৰ্মলৈ ধৰ্মান্তৰিত হৈছে। কেইদিনমান পূৰ্বে ধৰ্ম বিশেষক লক্ষ্য কৰি উচ্ছেদ অভিযান চলোৱা গুৱাহাটী মহানগৰীৰ সোণাপুৰৰ কচুতলি অঞ্চলত এই ঘটনা সংঘটিত হৈছে। উচ্ছেদ অভিযানক লৈ ৰাজ্যজুৰি উত্তেজনাই বিৰাজ কৰিছিল যদিও পৰিস্থিতি ক্ৰমে স্বাভাৱিক হ'বলৈ আৰম্ভ কৰিছে। উচ্ছেদক লৈ চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰা সোণাপুৰৰ কচুতলি পুনৰ চৰ্চালৈ আহিছে। এইবাৰ এটা খিলঞ্জীয়া ইছলামধৰ্মী পৰিয়ালে ধৰ্ম সলনি কৰাত কচুতলি চৰ্চালৈ আহিছে। আজি সোণাপুৰৰ এলেঙাকৰ হৰেকৃষ্ণ মন্দিৰত অনুষ্ঠিত হয় এক বিশেষ কাৰ্যসূচী। কাৰ্যসূচীত হিন্দু ধৰ্মৰ ধৰ্ম প্ৰচাৰক কেবাজনো লোক উপস্থিত থাকে। এই অনুষ্ঠানতে মুণ্ডন কৰি খিলঞ্জীয়া পৰিয়ালটোৱে সম্পূৰ্ণ হিন্দু ধৰ্মৰ ৰীতি-নীতি অনুসৰি ধৰ্ম সলনি কৰে। ধৰ্ম সলনি কৰা লোকজন হৈছে কচুতলিৰ হাফিজ আলি আৰু তেওঁৰ পত্নী ৰিজুৱানা বেগম। ধৰ্ম সলনি কৰাৰ পিছতে হাফিজ আলি হৈ পৰে ৰাহুল বড়ো আৰু ৰিজুৱানা বেগম হৈ পৰে ভূমিকা বড়ো। জানিব পৰা মতে, কচুতলিত স্থানীয় দল-সংগঠনে লক্ষ্মী পূজাৰ আয়োজন কৰিছিল। লক্ষ্মী পূজাত হিন্দু ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈছিল হাফিজ আলি আৰু ৰিজুৱানা বেগম। দুই এজন লোকক হিন্দু ধৰ্মৰ প্ৰতি আকৰ্ষিত হোৱাৰ কথা প্ৰকাশ কৰিছিল। এই কথা মুখে মুখে বাগৰি গৈ ৰাষ্ট্ৰ হোৱাত কচুতলি ত্যাগ কৰিবলগীয়া হয়। ইছলামধৰ্মী লোকসকলে সম্পৰ্ক ছেদ কৰাত কচুতলি ত্যাগ কৰি বিগত দুটা মাহে আন ঠাইত থাকিব লগীয়া হয় পৰিয়ালটো। দীৰ্ঘ দিনৰ অপেক্ষাৰ অন্তত হিন্দু ধৰ্মৰ পৰম্পৰা অনুসৰি ডিগাৰু নৈৰ ঘাটত মুণ্ডন কৰি হৰেকৃষ্ণ মন্দিৰত হোম-যজ্ঞ আৰু আয়তীৰ নাম-প্ৰসংগৰে হিন্দু ধৰ্ম গ্ৰহণ কৰে। বিশ্ব হিন্দু পৰিষদ, বজৰং দল আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নেতা বিধান চন্দ্ৰ দেৱৰায় আৰু কৃষ্ণ কুমাৰ সিং, যোগেশ শাস্ত্ৰী, সুনীল মহান্তিৰ উপস্থিতিত আজিৰে পৰা হিন্দু ধৰ্মৰ ৰীতি মতে চলাৰ সংকল্প লয় হাফিজ আলি আৰু তেওঁৰ পত্নী ৰিজুৱানা বেগমে। পৰিয়ালটোৱে হিন্দু ধৰ্ম গ্ৰহণৰ সময় অসমৰ এজনো খিলঞ্জীয়া পুৰোহিত বা হিন্দুত্ববাদী সংগঠনৰ নেতা উপস্থিত নাছিল। সকলোবোৰ নেতাই উত্তৰ ভাৰতৰ আছিল বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছ নেতাক কামুৰিলে আৰক্ষীয়ে!

সংঘটিত হৈছে গুৱাহাটীত। এজন কংগ্ৰেছ নেতাই আৰক্ষীয়ে তেওঁক পিঠিত কামুৰি ধৰি থকাৰ অভিযোগ উত্থাপন কৰিছে। চিকিৎসা কৰিবলৈ বাধ্য হোৱা কংগ্ৰেছ কৰ্মীজনে চোলা খুলি কামোৰ খোৱা ঠাই কেমেৰাৰ সন্মুখত দেখুৱাই। আৰক্ষীৰ কামোৰ খোৱা নেতাজন হৈছে দ্ৰশ্বিন মহন্ত। জানিব পৰা মতে, ভূপেন বৰাৰ সৈতে আছিল মহন্ত। ভূপেন বৰাক ভেটাপাৰা-হাতীগাঁও পথত গাড়ীৰ পৰা নমাই আটক কৰিবলৈ লোৱাৰ সময়তে তেওঁ বাধা দিছিল আৰক্ষীক। আৰক্ষীয়ে তেনে সময়তে পিঠিত প্ৰচণ্ড জোৰত কামুৰি দিয়াৰ অভিযোগ উত্থাপন কৰিছে দ্ৰশ্বিনে। ইতিমধ্যে আৰক্ষীয়ে বিৰোধী দলৰ নেতাক কামুৰি দিয়াৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমতো ঘটনাটোক লৈ চৰ্চা হোৱা দেখা গৈছে। মৃদুল ইছলামক ন্যায় প্ৰদানৰ দাবীত জনতা ভৱন ঘেৰাও আৰু যুৱ কংগ্ৰেছৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান একেলগে আয়োজন কৰাত আৰক্ষীয়ে কঠোৰ হাতেৰে কংগ্ৰেছৰ দুয়োটা কাৰ্যসূচী দমন কৰা দেখা যায়। শুকুৰবাৰে দিনটো আৰক্ষীৰ ছাউনী আৰু থানাত কংগ্ৰেছৰ নেতাক বন্দী কৰিছিল। নেতাসকলক বন্দী কৰাৰ পিছতে উত্তেজিত হৈ পৰিছিল কংগ্ৰেছ নেতা-কৰ্মী।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হোটেলত বন্দী যুৱ কংগ্ৰেছৰ শিৰ্

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। প্ৰতিবাদ-আন্দোলন ভাল নোপোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে উজানবজাৰ এলেকাত প্ৰতিবাদ নিষিদ্ধ কৰিছে। এইখন চৰকাৰে ৰাজ্যৰ ৰাজধানীৰ পৰা প্ৰতিবাদ-আন্দোলন নাইকীয়া কৰিবলৈ প্ৰয়াস কৰা বুলি উত্থাপিত অভিযোগৰ মাজতে আজি এজন বিৰোধীৰ ৰাষ্ট্ৰীয় নেতাক হোটেলত বন্দী কৰি ৰাখে হিমন্ত বিশ্ব শৰ্মাৰ আৰক্ষীয়ে। দিল্লীৰ পৰা দলীয় নেতাৰ মৃত্যুৰ খবৰৰে ল'বলৈ অহা যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি উদয় ভানু শিৰক নিশাৰে পৰা হোটেলত বন্দী কৰাৰ লগতে মোবাইল পৰ্যন্ত জব্দ কৰে। বৃহৎ আৰক্ষীৰ দলে জৰুৰীকালীন অৱস্থাৰ দৰে পৰিৱেশৰ সূচনা কৰি নিশাৰে পৰা কংগ্ৰেছৰ ভাতৃ সংগঠনৰ নেতাজনক বন্দী কৰি ৰাখে। নিশা বন্দী কৰা হয় যদিও পুৱাৰ ভাগত হোটেলৰ কোঠাৰ পৰা ওলাই আহিবলৈ নিদিয়াত হোটেলত উপস্থিত হোৱা যুৱ কংগ্ৰেছৰ কেবাগৰাকী নেতা-কৰ্মী হোটেলখনত উপস্থিত হোৱাত নেতা-কৰ্মীসকলক উদয় ভানু শিৰৰ কোঠাত প্ৰৱেশ কৰিবলৈ দিয়া নাছিল। সেই সময়ত আৰক্ষীয়ে যুৱ কংগ্ৰেছৰ মহিলা নেত্ৰীৰ গাত হাত দিয়াৰ অভিযোগ উত্থাপন কৰিছে। আৰক্ষীয়ে যুৱ-কংগ্ৰেছৰ নেতাৰ সৈতে কথাৰ কটা-কটি কৰা পৰিলক্ষিত হয়। তাৰ পিছতে হোটেলত উপস্থিত হয়। যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি উদয় ভানু শিৰক লগ কৰিবলৈ যায় যুৱ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি জুবেৰ আনম। জুবেৰ আনমকো বাধা দিয়ে আৰক্ষীয়ে। জুবেৰ আনমক হোটেলৰ লিফ্টৰ পৰা বাহিৰলৈ ওলাই যোৱাত পৰিৱৰ্তে লিফ্ট বন্ধ কৰি দিয়া হয়। দীৰ্ঘ সময় আৰক্ষী আৰু যুৱ কংগ্ৰেছীৰ কথাৰ কটা-কটি হয়। জুবেৰ আনমে ভানুক লগ কৰিবলৈ ভিতৰলৈ যাব খুজিছিল যদিও আৰক্ষীয়ে কোনো কাৰণত যাবলৈ দিয়া নহয় বুলি স্পষ্ট কৰে। মই আমাৰ সংগঠনৰ ৰাষ্ট্ৰীয় সভাপতিক কিয় লগ কৰিব নোৱাৰিম বুলি জুবেৰে প্ৰশ্ন কৰি তেওঁ উগ্ৰপন্থী নেকি বুলি প্ৰশ্ন কৰে। তেতিয়াও আৰক্ষীয়ে কয় যে আমি তেওঁক উগ্ৰপন্থী বুলি কোৱা নাই নহয়। আৰক্ষীয়ে বাৰে বাৰে কয় যে ওপৰৰ পৰা অহা নিৰ্দেশৰ বাবে এনে কৰা হৈছে। তেতিয়া জুবেৰে আৰক্ষীক তেওঁ নিজেই ৰাজ্যিক সভাপতি বুলি চিনাকি দি কয় যে মই মোৰ সভাপতিক কিয় লগ কৰিব নোৱাৰিম তাৰ বাবে লিখিত দিয়ক। লিফ্টৰ পৰা ওলাবলৈ কৈ আৰক্ষীজনে নিজকে ক্ৰাইম ব্ৰাঞ্চৰ পৰিদৰ্শক বুলি চিনাকি দি লিফ্টৰ পৰা ওলাবলৈ কৈ লিখিত দিম বুলি কয়। কিন্তু আৰক্ষীয়ে হোটেলৰ কোঠাৰ পৰা বাহিৰলৈ ওলাই আহিবলৈ নিদিলে উদয় ভানু শিৰক। ৰাষ্ট্ৰীয় নেতাজনক হোটেলত বন্দী কৰি ৰখাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম প্ৰদেশ কংগ্ৰেছে। ১৮ ডিচেম্বৰত দুপৰীয়া বিজেপিৰ দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ আৰক্ষীয়ে নিক্ষেপ কৰা কন্দুৱা গেছৰ শ্বেল গাত লাগি প্ৰাণ হেৰুওৱা মৃদুল ইছলামৰ পৰিয়ালৰ শোকৰ সমভাগী হ'বলৈ নিশাই গৌৰৱ গগৈৰ সৈতে বকোৰ পৰা আহি হোটেলখনত থকাৰ খবৰ লাভ কৰি নিশাৰে পৰা আৰক্ষীৰ দলে হোটেলখন ঘেৰাও কৰি ৰাখিছিল। জানিব পৰা মতে, উদয় ভানুৱে আজি প্ৰদেশ যুৱ কংগ্ৰেছে মৃদুল ইছলামক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ দিছপুৰৰ মানবেন্দ্ৰ শৰ্মা কমপ্লেক্সত আয়োজন কৰা অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ কথা আছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্দিৰ নিৰ্মাণ কৰিলেই হিন্দু নেতা হ'ব

মোহন ভাগৱতৰ। তেওঁ কয়, "অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণৰ পিছত একাংশ লোকে এনে বিষয় উত্থাপন কৰি হিন্দুৰ নেতা হ'ব বুলি ভাবে, যিটো একেবাৰে গ্ৰহণযোগ্য নহয়।" ভাগৱতে আৰু কয়, "ভাৰতে বিশ্বক দেখুৱাব লাগিব যে আমি একেলগে জীয়াই থাকিব পাৰো। আমি দীৰ্ঘদিন ধৰি ইজনে সিজনৰ লগত শান্তিৰে বসবাস কৰি আহিছো। যদি আমি বিশ্ববাসীক এই সহাৱস্থানৰ বাৰ্তা দিব বিচাৰো তেন্তে আমি এটা আদৰ্শ সৃষ্টি কৰিব লাগিব।" পুনেত অনুষ্ঠিত হোৱা 'সহজীৱন' বক্তৃতা শৃংখলাত ভাৰতক বিশ্ব গুৰু হোৱাৰ বিষয়ে আলোচনা কৰি আৰএছএছৰ মুৰব্বীগৰাকীয়ে কয়, "প্ৰতিদিনে নতুন বিতৰ্ক আৰম্ভ হৈছে। ইয়াৰ অনুমতি কিয় দিয়া উচিত? শেহতীয়াকৈ আদালতত মছজিদৰ ওপৰত জৰীপৰ দাবী উত্থাপন হৈছে।" ভাৰতীয় সমাজৰ বহুত্ববাদী স্বৰূপৰ ওপৰত আলোকপাত কৰি ভাগৱতে কয়, "ৰামকৃষ্ণ মিছনত বৰদিন পালন কৰা হয়। আমি কেৱল হিন্দুসকলেহে এয়া কৰিব পাৰো। আমি দীৰ্ঘদিন ধৰি সমন্বয় আৰু সহাৱস্থানত বসবাস কৰি আহিছো, আৰু যদি আমি এই কথা বিশ্বক দেখুৱাব বিচাৰো, তেন্তে আমি এটা আৰ্হি গঢ়ি তুলিব লাগিব।" মোহন ভাগৱতে আৰু কয়, "বাহিৰৰ কিছুমান গোটে নিজৰ লগত হিংসা লৈ আহিছে আৰু তেওঁলোকে বিচাৰে যে তেওঁলোকৰ পুৰণি শাসন ঘূৰি আহক, কিন্তু এতিয়া দেশখন সংবিধান অনুসৰি চলে। এই ব্যৱস্থাত জনসাধাৰণে নিজৰ প্ৰতিনিধি নিৰ্বাচন কৰে, যিয়ে চৰকাৰ চলায়।" ৰাম মন্দিৰৰ সন্দৰ্ভত তেওঁ কয়, "অযোধ্যাৰ ৰাম মন্দিৰ হিন্দুসকলক দিয়াটো ঠিক আছিল, কিন্তু ইংৰাজে এই কথা বুজি দুয়োটা সম্প্ৰদায়ৰ মাজত অশান্তিৰ সৃষ্টি কৰিছিল। ইয়াৰ ফলস্বৰূপে পাকিস্তানৰ জন্ম হৈছিল।" শেষত ভাগৱতে কয় যে আমাৰ দেশত সংখ্যালঘুৰ বিষয়ে যি পৰিস্থিতিত আলোচনা কৰা হয়, সেই পৰিস্থিতি এতিয়া আন দেশতো দেখা গৈছে। বাংলাদেশত হিন্দু সম্প্ৰদায়ৰ বিৰুদ্ধে চলি থকা হিংসাৰ কথা তেওঁ পোনপটীয়াকৈ উল্লেখ নকৰিলেও শেহতীয়াকৈ শ্বেখ হাছিনা চৰকাৰৰ পতনৰ পিছত বাংলাদেশত হিন্দুসকলৰ স্থিতি সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে ভাগৱতে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজভৱন, জনতা ভৱনৰ সলনি জংঘলত

লাগি মৃদুল ইছলাম নামৰ কংগ্ৰেছ কৰ্মীগৰাকী নিহত হোৱা ঘটনাৰ তদন্ত ঘোষণা কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলক কেবাটাও প্ৰশ্ন কৰিছিল। ৰাজ্যপাল নথকাৰ সময়তে ৰাজভৱনলৈ কিয় গৈছিল বুলি মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছক প্ৰশ্ন কৰিছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰশ্নৰ আজি পোনপটীয়াকৈ উত্তৰ দিছে বিৰোধী দলপতি দেবব্ৰত শইকীয়াই। ৰাজ্যপালে ৰাজভৱনত কেৱল বিছনাখন লৈ শুই নাথাকে বুলি কৈ ওভতি ধৰিছে বিৰোধী দলপতি শইকীয়াই। দলপতি শইকীয়াই কয় যে ৰাজভৱনত এটা সচিবালয় থাকে। য'ত ৰাজ্যপালৰ সচিব থাকে। ৰাজভৱনত ৰাজ্যপাল নাথাকিলেও সচিবালয় চলি থাকে। আমি যেতিয়া ৰাজভৱনলৈ গৈছিলো তেতিয়া লগত এখন স্মাৰকপত্ৰ লৈ গৈছিল। মুখ্যমন্ত্ৰীয়ে ৰাজ্যপাল নাথাকোতে কিয় ৰাজ্যপালক লগ ধৰিবলৈ গৈছিল বুলি কোৱাত উত্তৰ দি শইকীয়াই কয়, "আমি ৰাজ্যপালক দিবলৈ দিবলৈ স্মাৰককপত্ৰখন দিবলৈ লৈ গৈছিলো। স্মাৰক পত্ৰখন গ্ৰহণৰ ব্যৱস্থা মুখ্যমন্ত্ৰীয়ে কৰিব পাৰিলেহেঁতেন। মুখ্যমন্ত্ৰীৰ প্ৰৰোচনাত, নিৰ্দেশনাত অসম আৰক্ষীয়ে সেই কাম কৰিবলৈ আমাক সুযোগ নিদিলে।" ইপিনে মুখ্যমন্ত্ৰীৰ একেটা প্ৰশ্নৰ উত্তৰ দিছে অখিল গগৈয়ে। অখিল গগৈয়ে কয় যে শৰীৰৰ যিটো অংশত ঘাঁ হয় মলম তাতে ঘঁহিব লাগে। বেমাৰ হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ চৰকাৰখনৰ হৈছে। গতিকে ঔষধ জনতা ভৱনত নলগাই ক'ত লগাম? বিক্ষুব্ধ মানুহে ৰাজভৱন, জনতা ভৱনৰ সমুখত ন্যায় বিচাৰি ধৰ্ণা, বিক্ষোভ কৰিবই। আমি এতিয়া হেপা, শিয়ালৰ সৈতে হিমন্ত বিশ্ব শৰ্মাই নুশুনাকৈ ধৰ্ণা দিব লাগিব নেকি? ৰাইজৰ কথা ৰাইজৰ মাজত থাকি ক'ম। হিমন্ত বিশ্ব কোন বন্ধ কৰিবলৈ? হিমন্ত বিশ্ব শৰ্মাৰ হিটলাৰৰাজ মানি লোৱা নহ'ব বুলিও কয় অখিলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্বেখ হাছিনাৰ পতনৰ পিছত বাংলাদেশত

অত্যাচাৰৰ ঘটনাই উদ্বেগ বৃদ্ধি কৰিছে ভাৰতত। শ্বেখ হাছিনাৰ চৰকাৰৰ পতনৰ পিছতে বাংলাদেশত ভয়াবহভাৱে বৃদ্ধি পাইছে সংখ্যালঘুৰ ওপৰত আক্ৰমণৰ ঘটনা। দেশখনত চলিত বৰ্ষত এনে ঘটনা ২২০০ লৈ বৃদ্ধি পাইছে। একে সময়তে পাকিস্তানতো এই বছৰ সংঘটিত হৈছে ১১২টা হিন্দু বিৰোধী হিংসাৰ ঘটনা।শুকুৰবাৰে ৰাজ্যসভাত বৈদেশিক পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী কীৰ্তি বৰ্ধন সিংহই এই তথ্য প্ৰদান কৰে। তেওঁ কয় যে সংখ্যালঘু আৰু মানৱ অধিকাৰ সংগঠনে প্ৰদান কৰা তথ্যৰ ভিত্তিত এই পৰিসংখ্যা প্ৰকাশ কৰা হৈছে। সংখ্যালঘুৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে ভাৰতে দুয়োখন দেশৰ চৰকাৰৰ সৈতে প্ৰত্যক্ষ আলোচনাত মিলিত হোৱাৰ কথাও সদৰী কৰে মন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে, বাংলাদেশত ২০২২ চনত হিন্দুৰ বিৰুদ্ধে ৪৭টা অত্যাচাৰৰ ঘটনা সংঘটিত হৈছিল, যিটো ২০২৩ চনত ৩০২টালৈ বৃদ্ধি পাইছিল। কিন্তু ২০২৪ চনৰ ৮ ডিচেম্বৰ পৰ্যন্ত এনে ঘটনা ২২০০ লৈ বৃদ্ধি পায়। শ্বেখ হাছিনাৰ চৰকাৰ পতনৰ পিছৰে পৰা দেশৰ পৰিস্থিতি অস্থিৰ হৈ পৰিছে। অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী নোবেল বিজয়ী মহম্মদ ইউনুছৰ কাৰ্যকালতো হিংসা অব্যাহত আছে দেশখনত। শেহতীয়াকৈ দেশদ্ৰোহৰ গোচৰত হিন্দু ধৰ্মগুৰু চিন্ময়কৃষ্ণ দাসক গ্ৰেপ্তাৰ কৰা ঘটনাই বাংলাদেশত সংখ্যালঘুৰ মাজত ক্ষোভৰ সৃষ্টি কৰিছে। ইফালে পাকিস্তানতো অব্যাহত আছে হিন্দুৰ বিৰুদ্ধে হিংসাৰ ঘটনা। ধৰ্মীয় অসহিষ্ণুতা আৰু সংখ্যালঘুৰ ওপৰত আক্ৰমণ সন্দৰ্ভত পাকিস্তান চৰকাৰলৈ কূটনৈতিক বাৰ্তা প্ৰেৰণ কৰা হৈছে। ভাৰতেও এই বিষয়টো আন্তঃৰাষ্ট্ৰীয় মঞ্চত উত্থাপন কৰাৰ পৰিকল্পনা কৰিছে। দুয়োখন দেশৰ সংখ্যালঘু লোকৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ভাৰতে বাৰে বাৰে উদ্বেগ প্ৰকাশ কৰি আহিছে বুলিও অৱগত কৰে।

# বিশ্বনাথ জিলা কংগ্ৰেছৰ প্ৰতিবাদ, সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন

**ই-সংবাদ, ২০ ডিচেম্বৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বিশ্বনাথতো আজি বিশ্বনাথ জিলা কংগ্ৰেছে কংগ্ৰেছৰ বিজেপি বিৰোধী আন্দোলনৰ প্ৰথম শ্বহীদ মৃদুল ইছলামক স্মৰণ কৰে। বিজেপি চৰকাৰৰ দুৰ্নীতি বিৰোধী সংগ্ৰামখনৰ প্ৰথমগৰাকী শ্বহীদ অধিবক্তা মৃদুল ইছলামৰ আত্মাৰ চিৰশান্তিৰ বাবে বিশ্বনাথ জিলা কংগ্ৰেছৰ উদ্যোগত সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা-শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। লগতে মৃদুল হত্যাৰ তদন্ত দাবী কৰি বিশ্বনাথ জিলা কংগ্ৰেছে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰে। অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ পৰাই শ্বহীদ মৃদুল ইছলামৰ উচিত ন্যায়িক তদন্তৰ বাবে দাবী জনাই জিলা আয়ুক্তৰ দ্বাৰা ৰাজ্য চৰকাৰলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। কাৰ্যসূচীত জিলা কংগ্ৰেছৰ সভাপতি দিলীপ বৰুৱা, অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, প্ৰেম লাল গঞ্জুকে ধৰি বহু নেতা-কৰ্মী উপস্থিত থাকে।



**ৰাজভৱনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ সহধৰ্মিণী ড০ জয়শ্ৰী গোস্বামী মহন্তৰ**

# মাজুলীতো কংগ্ৰেছৰ প্ৰতিবাদ, ৰাজ্যপাললৈ স্মাৰক পত্ৰ প্ৰেৰণ

**ই-সংবাদ, মাজুলী, ২০ ডিচেম্বৰঃ** আজি সমগ্ৰ অসমৰ লগতে মাজুলী জিলাটো প্ৰদেশ কংগ্ৰেছৰ নিৰ্দেশত মাজুলী জিলা কংগ্ৰেছৰ উদ্যোগত অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক তথা মাজুলী জিলা কংগ্ৰেছৰ তত্বাৱধায়ক আৰু আজিৰ কাৰ্যসূচীৰ পৰ্যবেক্ষক মেঘনাথ চেত্ৰীৰ নেতৃত্বত সৰ্বধৰ্ম প্ৰাৰ্থনা সভা আৰু অৱস্থান ধৰ্মঘটৰ লগতে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। যোৱা ১৮ ডিচেম্বৰত গুৱাহাটীত প্ৰদেশ কংগ্ৰেছৰ উদ্যোগত শান্তিপূৰ্ণ ভাৱে উলিওৱা "ৰাজভৱন চলো" কাৰ্যসূচীত পুলিচৰ নিৰ্মমতাৰ বলি হৈ থিতাতে প্ৰাণ হেৰুওৱা অধিবক্তা মৃদুল ইছলামৰ মৃত্যুৰ উচিত তদন্ত বিচাৰি, ক্ষতিগ্ৰস্ত পৰিয়ালটোক উচিত ক্ষতিপূৰণ প্ৰদান কৰা আৰু ঘটনাৰ লগত জড়িত আৰক্ষী বিষয়াক তদন্তৰ আওতালৈ আনি শাস্তি প্ৰদান কৰা আদি দাবীৰে জিলা আয়ুক্তৰ জৰিয়তে ৰাজ্যপাললৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে মাজুলী জিলা কংগ্ৰেছে। জিলা আয়ুক্তৰ হৈ স্মাৰক পত্ৰ গ্ৰহণ কৰে সহকাৰী আয়ুক্ত সীমান্ত বুঢ়াগোহাঁইয়ে। কাৰ্যসূচীত জিলা কংগ্ৰেছৰ সভাপতি কোয়েশ্বৰ বৰা, উপ সভাপতি সকল, সাধাৰণ সম্পাদক আৰু সম্পাদক সকল, প্ৰাক্তন মন্ত্ৰী ৰাজীৱ লোচন পেগু, প্ৰদেশ কংগ্ৰেছৰ সম্পাদক বিষ্ণুকমল পায়েং, মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি লক্ষ্য গায়ন আৰু বিষয়ববীয়াসকল, উজনি মাজুলী ব্লক কংগ্ৰেছৰ প্ৰশাসানিক সাধাৰণ সম্পাদক জিতুমন বৰা আৰু বিষয়ববীয়াসকল, মণ্ডল কংগ্ৰেছৰ সভাপতি আৰু বিষয়ববীয়াসকল, জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী কমলালক্ষী গগাগ, প্ৰশাসানিক সাধাৰণ সম্পাদিকা সুৰভী বসুমতাৰী বাৰিক আৰু বিষয়ববীয়াসকল, যুৱ কংগ্ৰেছৰ সভাপতি টিংকু পাটিৰ আৰু বিষয়ববীয়াসকল, সেৱা দলৰ সভাপতি জয়ন্ত মিলি আৰু বিষয়ববীয়াসকল,প্ৰাক্তন এন.এছ.ইউ.আই ৰ সভাপতি অমিয় পগাগ, প্ৰাক্তন ৰাজ্যিক এন.এছ.ইউ.আইৰ সাধাৰণ সম্পাদক ৰিংকু পায়েং, লক্ষ্যজিত শইকীয়া আৰু বিষয়ববীয়াসকল, উজনি মাজুলী মহিলা ব্লক কংগ্ৰেছৰ সভানেত্ৰী স্বপ্না পেগু আৰু মাজুলী ব্লক মহিলা কংগ্ৰেছৰ সভানেত্ৰী দিপা দাস আৰু বিষয়ববীয়াসকল, মণ্ডল মহিলা কংগ্ৰেছৰ সভানেত্ৰী আৰু বিষয়ববীয়াসকল, সামাজিক মাধ্যমৰ অধ্যক্ষ জীৱেশ্বৰ গাম, জিলা মিডিয়া বিভাগৰ অধ্যক্ষ প্ৰণৱজ্যোতি বাৰিক আৰু অন্যান্য কোষ, বিভাগৰ অধ্যক্ষসকলৰ লগতে বিষয়ববীয়াসকল উপস্থিত থাকে। কাৰ্যসূচীত জ্যেষ্ঠ নেতাসকলৰ লগতে মেঘনাথ ছেত্ৰীয়ে চৰকাৰে জনসাধাৰণৰ ওপৰত যি অমানুষিক অত্যাচাৰ কৰিছে তাৰ বিৰুদ্ধে উদাত্ত ভাষণেৰে বক্তব্য আগবঢ়ায়।

# চামগুৰিৰ একাধিক অনুষ্ঠানৰ বাবে কেবাকোটি টকা ঘোষণা কৰিলে মুখ্যমন্ত্ৰীয়ে

**ই-সংবাদ, চামগুৰি, ২০ ডিচেম্বৰঃ** এইবাৰ উপ-নিৰ্বাচনত চামগুৰি সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী গৰাকী বিপুল ভোটত জয় হোৱা মানেই অহংকাৰৰ পৰাজয় হ'ল। অহংকাৰীৰ পতন যুগে-যুগে হৈছে।এইবাৰ ৰকিবুল হুছেইনৰ পতন হ'ল।এইবাৰ চামগুৰিবাসী ৰাইজে দেখুৱাই দিলে যে অহংকাৰী পতন কৰিব পাৰে।ডেৰ বছৰৰ কাৰণে চামগুৰিবাসী ৰাইজে দিপ্লুৰঞ্জন শৰ্মাক বিপুল ভোটত জয় কৰালে।গতিকে এইবাৰ এখন নতুন চামগুৰি নিৰ্মাণ কৰা হ'ব। আপোনালোকে চামগুৰিত আমাৰ প্ৰাৰ্থীগৰাকীক যিদৰে বিজয় কৰিলে সেইয়া মই জীৱনত কেতিয়াও নাপাহৰো। এইবাৰ দৰে ২০২৬ চনত এজিপি আৰু বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীক চামগুৰিবাসী ৰাইজে বিপুল ভোটত জয় কৰাব বুলি মই আশা কৰিলো। এই মন্তব্য ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত আমবাগান আৰু কাৰৈমাৰী অঞ্চলত আজি অনুষ্ঠিত হোৱা বিশাল ৰাজহুৱা সভা দুখনত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি চামগুৰি উপ-নিৰ্বাচনত বিজেপি তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাক বিপুল ভোটৰ ব্যৱধানত জয় কৰোৱাৰ বাবে চামগুৰিবাসী ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। উপ-নিৰ্বাচনত চামগুৰি সমষ্টি বিজেপি দলে দখল কৰাৰ পাছত আজি বিজয় উৎসৱ উদযাপন কৰিবলৈ শিঙিমাৰী জিলা পৰিষদৰ অন্তৰ্গত কাৰৈমাৰী ৰাজহুৱা খেলপথাৰ আৰু আমবাগান জিলা পৰিষদৰ অন্তৰ্গত আমবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আজি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ দুখনকৈ ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। উল্লেখ্য যে, চামগুৰি সমষ্টিৰ উপ- নিৰ্বাচনৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত নিৰ্বাচনী প্ৰচাৰৰ এখন বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি প্ৰচাৰ চলাইছিল। উক্ত সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চামগুৰি উপ-নিৰ্বাচনত বিজেপি প্ৰাৰ্থী জয়ী হ'লে চামগুৰিত বিজয় উৎসৱত ৰাইজৰ সৈতে অংশগ্ৰহণ কৰিব বুলি ঘোষণা কৰিছিল। প্ৰতিশ্ৰুতি অনুসৰিয়েই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আজি চামগুৰি সমষ্টিত উপস্থিত হৈ দুখনকৈ ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি বিজয় উৎসৱ পালন কৰে। প্ৰায় ২৪ বছৰ ধৰি কংগ্ৰেছৰ দুৰ্গ হিচাপে পৰিচিত তথা প্ৰাক্তন বিধায়ক তথা ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনৰ দখলত থকা চামগুৰি সমষ্টিটো এইবাৰ উপ- নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা বিপুল ভোটত জয় হৈ বিজেপি দলৰ ধজ্জা উৰুৱাবলৈ সক্ষম হয়। প্ৰায় ২৪ বছৰ কংগ্ৰেছৰ দখলত থকা চামগুৰি সমষ্টিত এইবাৰ বিজেপি প্ৰাৰ্থী বিপুল ভোটত জয়লাভ হোৱাৰ পাছত বিজেপি-অগপ শিবিৰ



উৎসাহিত হৈ পৰিছিল। বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী আৰু চামগুৰি সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক দিপ্লুৰঞ্জন শৰ্মা উপস্থিত থকা আজি ৰাজহুৱা সভাত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণ প্ৰসংগত কয় যে, অসমখন লাহে-লাহে উন্নয়নৰ দিশে গতি কৰিছে। সকলো জাতি-জনজাতি লোক আগবাঢ়ি গৈছে।এটা সুন্দৰ পৰিবেশ আমি নিৰ্মাণ কৰিবলৈ সক্ষম হৈছো। আগতে টকা থকা মানুহৰ ঘৰৰ ল'ৰা-ছোৱালীয়েহে চাকৰি পাইছিল। টকা নিদিয়াকৈ চাকৰি পোৱা নাছিল। দুখীয়া মানুহৰ ঘৰৰ ল'ৰা-ছোৱালীয়ে চাকৰি পোৱা নাছিল। কিন্তু বৰ্তমান সকলো ধৰণৰ মানুহৰ ঘৰৰ ল'ৰা-ছোৱালীয়ে চাকৰি পাবলৈ সক্ষম হৈছে। টকা নিদিয়াকৈ চাকৰি পাবলৈ সক্ষম হৈছে।অসমত আমি এটা নতুন পৰিৱেশ সৃষ্টি কৰিছো। এতিয়া অসমত টকা-পইছা থাকিলে চাকৰি নাপায়। পঢ়া-শুনা কৰা ল'ৰা-ছোৱালীয়েহে চাকৰি পায়। বৰ্তমান ৰাজ্যত অৰুণোদয় আঁচনিৰ নিৰ্বাচনৰ কাম চলি আছে।আমি যিমান পাৰো চামগুৰি সমষ্টিত অৰুণোদয় দিবলৈ চেষ্টা কৰিম। ৰকিবুল হুছেইনে ইমানদিনে চামগুৰিত যিমান উন্নয়ন কৰিলে আমি ডেৰ বছৰত তাতকৈ বেছি উন্নয়ন কৰিম। দিপ্লুৰঞ্জন শৰ্মাই দিনে-ৰাতিয়ে ৰাইজৰ বাবে কাম কৰিব। ৰকিবুল হুছেইনক এইবাৰ চামগুৰি ৰাইজে শিকাই দিলে অহংকাৰীৰ স্থান নাই বুলি। নিৰ্বাচনত পৰাজয় হোৱাৰ পিছত ৰকিবুল হুছেইনে কয় পুৰণা চামগুৰি সমষ্টিত হাৰিলো কিন্তু নতুন চামগুৰি সমষ্টিত জিকিলো। কিন্তু অহা নিৰ্বাচনত যাতে নতুন চামগুৰি সমষ্টিত ৫০ হাজাৰ ভোটত ৰকিবুল আৰু তেওঁৰ পুত্ৰ হাৰে তাৰেই ৰাইজে চিন্তা কৰিব বুলি মই আশা কৰিলো বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। লগতে আমবাগানত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত মুখ্যমন্ত্ৰী গৰাকীয়ে আমবাগানত এখন ৩০ খন বিছনাযুক্ত মডেল চিকিৎসালয় আৰু লাওঁখোৱা চিকিৎসালয়খন উন্নতিকৰণ কৰি এখন মডেল চিকিৎসালয় আগষ্ট মাহত আধাশিলা স্থাপন কৰা হ'ব বুলি ঘোষণা কৰাৰ লগতে আমবাগান বজাৰৰ মাজত থকা পূজাবাৰীখন পুনৰ নিৰ্মাণৰ কাৰণে ৫০ লাখ টকা আমবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ খেলপথাৰ উন্নতিকৰণৰ বাবে ২ লাখ টকা, লাওঁখোৱা উচ্চ মাধ্যমিক বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নতিকৰণ আৰু আমবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়খন পুনৰ নিৰ্মাণৰ কাৰণে ৮ কোটি টকা লগতে লাওঁখোৱা স্কুলৰ পুনৰ নিৰ্মাণৰ কাৰণে ৮ কোটি টকা মুখ্যমন্ত্ৰী গৰাকীয়ে ঘোষণা কৰাৰ লগতে কাৰৈমাৰী অনুষ্ঠিত হোৱা ৰাজহুৱা সভাখনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাৰৈমাৰী এফ আৰ ইউ খন মডেল চিকিৎসালয়লৈ উন্নতিকৰণত আৰু কাৰৈমাৰী মিনি ষ্টেডিয়াম খন উন্নতিকৰণৰ কাৰণে ৩ কোটি টকা আৰু কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়খন উন্নতিকৰণৰ কাৰণে ৮ কোটি টকা ঘোষণা কৰে।আজি সভা দুখনত মন্ত্ৰী কেশৱ মহন্ত, মন্ত্ৰী বিমল বৰা, মন্ত্ৰী পীযূষ হাজৰিকা, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, বিজেপি নেতা সুৰেশ বৰা, কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি তথা যুৱ নেতা পাৰ্থ প্ৰতিম হাজৰিকা উপস্থিত থকা সভা খনত চামগুৰি সমষ্টিৰ নৱ- নিৰ্বাচিত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই ভাষণ প্ৰসংগত কয় যে, বহুত সপোন লৈ এই চামগুৰি সমষ্টিত কাম কৰিবলৈ আহিছো। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনে ৰাইজৰ উন্নতিৰ কাৰণে কাম কৰি আহিছে। চামগুৰিত ভয়-ভাবুকিৰ ৰাজনীতিৰ অৱসান ঘটাই এইবাৰ চামগুৰি ৰাইজে উন্নয়নৰ ৰাজনীতি কৰিবলৈ আমাক আশীৰ্বাদ দিছে।আমাৰ আগত বাধা থাকিব তথাপিও বাধা অতিক্ৰম কৰি ৰাইজৰ হকে কাম কৰি যাম বুলি নৱ- নিৰ্বাচিত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই ভাষণ প্ৰসংগত উল্লেখ কৰে।আজিৰ সভাত মন্ত্ৰী বিমল বৰাকে ধৰি বহুকেইজনে ভাষণ প্ৰদান কৰে। উল্লেখ্য যে, ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰূপহীহাট সমষ্টিৰ মাজেৰে চামগুৰিত প্ৰৱেশ কৰে। সংখ্যালঘু বসতিপ্ৰধান অঞ্চল ৰূপহীহাট হৈ শিঙিমাৰী, শালপাৰা, লাওখোৱা হৈ ভাষিক সংখ্যালঘু বসতিপ্ৰধান অঞ্চল তথা চামগুৰি সমষ্টিৰ আমবাগানত মুখ্যমন্ত্ৰী শৰ্মাই প্ৰথমখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। পৰৱৰ্তী সময়ত চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনত বিশেষ ভূমিকা গ্ৰহণ কৰা সংখ্যালঘু বসতিপ্ৰধান অঞ্চল শিঙিমাৰী জিলা পৰিষদৰ অন্তৰ্গত কাৰৈমাৰী খেলপথাৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। উক্ত সভা দুখনৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চামগুৰি তিনিআলিত উপস্থিত হয়। কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি তথা যুৱনেতা পাৰ্থ প্ৰতিম হাজৰিকা আৰু পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি মিন্টু শৰ্মা উপস্থিত থকা অনুষ্ঠানটোত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ ৰাইজৰ লগত মত-বিনিময় কৰাৰ লগতে চামগুৰিৰ উন্নয়নৰ ক্ষেত্ৰত সকলো ধৰণৰ ব্যৱস্থা গ্ৰহন কৰা হ'ব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। আজি সভা কেইখনত বিজেপি আৰু অসম গণ পৰিষদ দলৰ বহুকেইজন নেতা উপস্থিত থাকে।

# তিনিচুকীয়াত কংগ্ৰেছৰ অৱস্থান ধৰ্মঘট

**ই-সংবাদ, ডুমডুমা, ২০ ডিচেম্বৰঃ** ৰাজ্যত শাসনাধিষ্ঠ বিজেপি নেতৃত্বাধীন অসম চৰকাৰৰ পুলিচৰ বৰ্বৰতা আৰু কংগ্ৰেছ কাৰ্যকৰ্তা-অধিবক্তা মৃদুল ইছলামৰ অপ্ৰত্যাশিত মৃত্যুৰ উচিত ন্যায়িক তদন্ত আৰু ছহিদ পৰিয়ালটোক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ দাবীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ আহ্বানত তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটিয়ে আজি তিনিচুকীয়া চহৰৰ কংগ্ৰেছ ভৱন চৌহদত অৱস্থান ধৰ্মঘট পালন কৰে। প্ৰথমে ছহিদ মৃদুল ইছলামৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ লগতে মৃতকৰ আত্মাৰ সদগতিৰ অৰ্থে ১ মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়। মণিপুৰত স্থায়ী শান্তি স্থাপন, সংবিধান সুৰক্ষা, ছহিদ মৃদুল ইছলামৰ পৰিয়ালবৰ্গলৈ উপযুক্ত চৰকাৰী ক্ষতিপূৰণ, মৃদুল ইছলামৰ মৃত্যুৰ ন্যায়িক তদন্তৰ দাবী সম্বলিত এখনি স্মাৰক পত্ৰ জিলা আয়ুক্তৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হয়। প্ৰতিবাদী সভাৰ আন এক তাৎক্ষণিক কাৰ্যসূচী অনুসৰি আজি গুৱাহাটীৰ প্ৰতিবাদী সমদলৰ পৰা গ্ৰেপ্তাৰ কৰা প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুণ বৰা আৰু প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰক শীঘ্ৰেই মুক্তিৰ দাবীতো ধৰ্ণা প্ৰদৰ্শন কৰে। আজিৰ এই প্ৰতিবাদী সভাত জিলা কংগ্ৰেছৰ সভাপতি জয়ন্ত কলিতাৰ উপৰিও জিলা কংগ্ৰেছৰ অন্যান্য বিষয়ববীয়া আৰু কৰ্মীৰ লগতে ব্লক কংগ্ৰেছৰ নেতা-কৰ্মীসকলেও অংশগ্ৰহণ কৰে।

# লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ ইন্দ্ৰানী সেনাপতিক সম্বৰ্ধনা

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২০ ডিচেম্বৰঃ** অসম লোকসেৱা আয়োগে ২০২৩ বৰ্ষত অনুষ্ঠিত কৰা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সমবায় বিভাগত কৰ্মৰত ডিব্ৰুগড় জিলাৰ লাহোৱালৰ ২নং জাপিসজীয়া গাঁৱৰ ইন্দ্ৰানী সেনাপতিক বিহু সুৰক্ষা সমিতিয়ে সম্বৰ্ধনা জ্ঞাপন কৰিছে। বিত্ত বিভাগত চতুৰ্থ স্থান দখল কৰা ২নং জাপিসজীয়া গাঁৱৰ দৰ্পন সেনাপতি আৰু অৰুণা সেনাপতিৰ কন্যা ইন্দ্ৰানী সেনাপতিক নিজা বাসগৃহত সম্বৰ্ধনা জ্ঞাপন কৰিছে বিহু সুৰক্ষা সমিতিয়ে। বিহু সুৰক্ষা সমিতি অসমৰ প্ৰচাৰ সম্পাদক কৃপাল ফুকনৰ নেতৃত্বৰ এটা প্ৰতিনিধি দলে সম্বৰ্ধনা জ্ঞাপন কৰে। ইন্দ্ৰানী সেনাপতি ডিব্ৰুগড় জিলাৰ সমবায় বিভাগৰ উপ-পঞ্জীয়কৰ কাৰ্যালয়ত পৰীক্ষক হিচাপে কৰ্মৰত। ল'ৰালী কালৰে পৰা মেধাৰ পৰিচয় দাঙি ধৰিছে ইন্দ্ৰানী সেনাপতিয়ে। ২০০৮ বৰ্ষত ডিব্ৰুগড়স্থিত ছেইন্ট মেৰীজৰ পৰা পৰীক্ষাত বহি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৮৮ শতাংশ নম্বৰ লাভ কৰি লাহোৱাল অঞ্চলৰ শ্ৰেষ্ঠ শিক্ষাৰ্থীৰ সন্মান অৰ্জন কৰিছিল। অসমীয়া মাধ্যমত অধ্যয়ন কৰা ইন্দ্ৰানীৰ সাহিত্যিক ডঃ ভবেন্দ্ৰনাথ নাথ শইকীয়া প্ৰিয় সাহিত্যিক।

## নিয়মীয়াকৈ ভোটদান কৰি আহিছে বুলি দাবী পৰিয়ালৰ

# বৰপেটাৰোডৰ বিভিন্ন স্থানৰ পৰা নিশা ছয়জন সন্দেহযুক্ত নাগৰিক গ্ৰেপ্তাৰ

**ই-সংবাদ, বৰপেটাৰোড, ২০ ডিচেম্বৰঃ** বৰপেটাৰোডত ৬গৰাকী সন্দেহযুক্ত নাগৰিক গ্ৰেপ্তাৰ বৰপেটাৰোড আৰক্ষীৰ।নিশা বৰপেটাৰোড আৰক্ষীয়ে অভিযান চলাই বিভিন্ন স্থানৰ পৰা ৬ গৰাকী সন্দেহজন নাগৰিকক গ্ৰেপ্তাৰ কৰে।আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ব্যক্তি কেইগৰাকী কাটাঝাৰ পথাৰৰ কচিম উদ্দিন,কুটুব আলী,জিন্নত আলী, ডুমনিৰ ছাজাহান আলী,ইনতাজ আলী আৰু বালাভিতাৰ নায়েব আলী।বৰপেটা জিলা বিদেশী ন্যায়াধীকৰণ আদালতে এই ছয় গৰাকী লোকক সন্দেহজনক নাগৰিক ঘোষণা কৰাৰ পিছতে যোৱা নিশা বৰপেটাৰোড আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।পৰিয়ালৰ লোকে জানিব দিয়া অনুসৰি আটাইকেইগৰাকীয়ে নিয়মীয়া কৈ ভোটপ্ৰদান কৰি আছে।ইতিমধ্যে বৰপেটাৰোড আৰক্ষীয়ে ব্যক্তি কেইগৰাকীক গ্ৰেপ্তাৰ কৰি বৰপেটা জিলা ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা মুহূৰ্তত আত্মীয়ৰ কান্দোনৰৰোল উঠা পৰিলক্ষিত হয় থানা চৌহদত।



**অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই দাহ কৰিলে মুখ্যমন্ত্ৰীৰ পুত্তলিকা**

# গোৰেশ্বৰ গাছবাৰীত শিপিনী পঞ্জীয়নৰ সজাগতা সভা

**ই-সংবাদ, গোৰেশ্বৰ, ২০ ডিচেম্বৰঃ** সদৌ অসম শিপিনী সন্থাৰ উদ্যোগত গোৰেশ্বৰৰ সমীপৱৰ্তী গাছবাৰী সামূহিক সভাকক্ষত শিপিনী পঞ্জীয়নৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ইলাৰাণী নাথৰ পৰিচালনাত আৰু মিনু নাথে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সমলব্যক্তি হিচাপে উপস্থিত থাকে হস্ততাত বস্ত্ৰ শিল্প বিভাগৰ গৌৰীপুৰ ধুবুৰী কাৰ্যালয়ৰ বিষয়া পংকজ যাদৱ। শিপিনীকে ধৰি অন্যান্য শিল্প কৰ্মৰ লগত জৰিয়তসকল নাম পঞ্জীয়নক পিছতে কি লাভ লাভ হ'ব সেই বিষয়ে ব্যাখা কৰে বিষয়া পংকজ যাদৱে। বিষয়াগৰাকীয়ে উপস্থিত শিপিনীসকলৰ মাজত শিপিনী পঞ্জীয়নৰ প্ৰ-পত্ৰও বিতৰণ কৰে। তামুলপুৰ জিলাৰ অধীনৰ শিলকিঝাৰ, গাৰোগাঁও, শিমেলীবাৰী, লোক্ৰাবৰনগৰ, বালাহাটী গড়কা, বৰডাঙেৰীকুছি আদিকে ধৰি কেইবাখনো গাঁৱৰ শিপিনী উপস্থিত থকা সভাত আন এগৰাকী সমল ব্যক্তি সদৌ অসম শিপিনী সন্থাৰ সভাপতি ডিম্বেশ্বৰ ৰাজবংশীয়েও শিপিনীসকল কেনেদৰে স্বাৱলম্বী হ'ব পাৰিব সেই বিষয়ে কোৱাৰ লগতে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সজাগতা সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি সাংবাদিক আব্দুল লতিফ চৌধুৰীয়ে উপস্থিত শিপিনী সকলৰ উদ্দেশ্যে ভাষণ দিয়ে। সভাত অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম শিপিনী সন্থাৰ বিষয়-ববীয়ামহেশ কলিতা আৰু গৌতম স্বৰ্গীয়াৰী, বিশিষ্ট সমাজসেৱীকা শুৱলা দাস আদি।

# চৰাইদেউ মহোৎসৱৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, মথুৰাপুৰ ২০ ডিচেম্বৰঃ** আগন্তুক ২০২৫ বৰ্ষৰ ৯,১০ আৰু ১১ জানুৱাৰীত লোক-কৃষ্টি গৱেষণা উন্নয়ন সমিতি, চৰাইদেউবাসী ৰাইজৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত  অনুষ্ঠিত হবলগীয়া চৰাইদেউ মহোৎসৱৰ শুকুৰবাৰে আনুষ্ঠানিকভাৱে টাই মলুং মন্ত্ৰোচ্চাৰণেৰে স্থাপন কৰা হয় লাইখুটা। তিনিদিনীয়া বৰ্ণাঢ্য  কাৰ্যসূচীৰে অনুষ্ঠিত হবলগীয়া চৰাইদেউ মহোৎসৱৰ শুকুৰবাৰে চৰাইদেউ মৈদাম ক্ষেত্ৰ প্ৰাঙ্গনত টাই আহোমৰ পৰম্পৰা ধৰ্ম ৰীতি-নীতিৰে চৰাইদেউ মহোৎসৱৰ মূল উদ্যোক্তা, আয়োজক সমিতিৰ সভাপতি তথা সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ আৰু এই অনুষ্ঠানৰ আয়োজক বিভিন্ন বিষয়ববীয়াৰ লগতে ভালে সংখ্যক লোকৰ উপস্থিতিত লাইখুটা স্থাপন কৰা হয় । অন্যহাতে চৰাইদেউ মহোৎসৱৰ অস্থায়ী কাৰ্যালয়টো ফিতা কাটি আনুষ্ঠানিকভাৱে উদ্বোধন  কৰে বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে।



মৃদুল ইছলামক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ মানবেন্দ্ৰ কমপ্লেক্সলৈ যোৱাৰ পথত প্ৰদেশ কংগ্ৰেছৰ সভাপতি




# দললৈ আদৰিলে বিধায়ক পোনাকণ বৰুৱাই

# চাবুৱা সমষ্টিৰ পাঁচ সৰবৰহী যুৱকৰ অগপত যোগদান

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২০ ডিচেম্বৰঃ** পঞ্চায়ত নিৰ্বাচনত নিজ সমষ্টিত আশাজনক ফলাফল লাভৰ উদ্দেশ্যে ব্যাপক তৎপৰ হৈ পৰিছে উজনি অসমৰ চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা। অসম গণ পৰিষদৰ বিধায়ক পোনাকণ বৰুৱাই নিজ সমষ্টিত দলৰ ভেটি শক্তিশালী কৰি পঞ্চায়ত নিৰ্বাচনত শক্তি প্ৰদৰ্শন কৰিবলৈ দিনে-নিশাই সক্ৰিয় হৈছে। বিগত প্ৰায় এটা পষেকত কেবা শতাধিক লোকক দলটোত যোগদান কৰাই পঞ্চায়ত  নিৰ্বাচনৰ ৰণডংকা বজাবলৈ সাজু হৈছে। পুনৰ কেবাগৰাকী যুৱ নেতাই পোনাকণ বৰুৱাৰ উপস্থিতিত অগপত যোগদান কৰিছে। বৰুৱাৰ বাসগৃহত লাহোৱাল মৈদুমীয়া আৰু মদাৰখাটৰ উদীয়মান যুৱক বিজিত বৰুৱা, জয় বৰুৱা, সোণটো বৰুৱা, ঋতুৰাজ বৰুৱা, উজ্বল মৰাণ, কুসুমী গোস্বামীয়ে দলটোত যোগদান কৰে। পোনাকণ বৰুৱা আৰু চাবুৱা-লাহোৱাল সমষ্টি সমিতিৰ সভাপতি কৃষ্ণানন্দ দুৱৰাই আটাইকেইগৰাকী যুৱকক একোখনকৈ ফুলাম গামোচা পিন্ধাই দললৈ স্বাগতম জনাইছে। বিধায়ক বৰুৱাই কয় যে দললৈ যুৱ প্ৰজন্মৰ আগমণে নতুনকৈ সমষ্টি নিৰ্ধাৰণ হোৱা চাবুৱা-লাহোৱাল সমষ্টিত অগপৰ ভেটি অধিক শক্তিশালী হ'ব।

# মুছলিম স্বায়ত্ব শাসিত পৰিষদৰ দাবীত দিল্লীত মুছাৰ প্ৰতিবাদ

**ই-সংবাদ, লাহৰীঘাট. ২০ ডিচেম্বৰঃ** অসমৰ মুছলমান সকলৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত  ১৮ ডিচেম্বৰৰ ৰাতিপুৱা ১০ বজাৰ পৰা দুপৰীয়া ১ বজালৈ তিনি ঘণ্টীয়া অৱস্থান ধৰ্ম্মঘট কাৰ্য্যসূচী ৰূপায়ন কৰে মুছলিম ছাত্ৰ সন্থা, অসম চমুকৈ মুছাই।  দিল্লী যন্তৰমন্তৰত  মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে প্ৰতিবাদ কৰে মুছলিম ছাত্ৰ সন্থা অসমৰ কেন্দ্ৰীয় সমিতিয়ে । 'বিজেপি গ' বেক', "হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ' আদি ধ্বনিৰে উত্তাল কৰি তুলে দিল্লী যন্তৰমন্তৰ । ইছলাম বিৰোধী সিদ্ধান্ত মানি লোৱা নহ'ব, চৰকাৰৰ হঠকাৰী সিদ্ধান্ত মানি লোৱা নহ'ব বুলি হুংকাৰ প্ৰতিবাদকাৰীৰ। অসমত মুছলমানক যি অন্যায় কৰি আছে সেয়া সংবিধান বিৰুধী বুলি অভিহিত কৰে মুছলিম ছাত্ৰ সন্থা অসম চমুকৈ মুছাৰ সভাপতি আশ্বিক ৰাব্বানীয়ে । মুছলিম সকল ভাৰতীয় নাগৰিক হয় । অসমত থকাৰ অধিকাৰ ভাৰতীয় সংবিধানে দিছে । অসমত এখন জিলাৰ পৰা আন জিলালৈ কাম কৰিব যোৱা শ্ৰমিক সকলক নিৰাপত্তা প্ৰধানত ব্যাৰ্থ হৈছে মূখ্যমন্ত্ৰী । অসমত মুছলিম সকলৰ নিৰাপত্তাৰ বাবে মুছলিম স্বায়ত্ব শাসিত পৰিষদ ৰ দাবী কৰে মুছলিম ছাত্ৰ সন্থা অসমৰ সভাপতি আশ্বিক ৰাবাবানীয়ে । মুছলিম ছাত্ৰ সন্থা, অসম (মুছা)ৰ সাধাৰণ সম্পাদক (প্ৰশাসনিক) ৰফিকুল ইছলামে কয় যে শেহতীয়াকৈ অসমৰ মূখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই অসমৰ মুছলমান সকলক টাৰ্গেট কৰি বিশেষ এটা জাতি বুলি কৈ বিভিন্ন সময়ত তেওঁলোকক উচ্ছেদৰ দৰে অমানৱীয় অত্যাচাৰ চলোৱাৰ লগতে মৌলিক অধিকাৰ সমূহও খৰ্ব কৰাৰ হকে উঠিপৰি লাগিছে বুলি অভিযোগ উত্থাপন কৰিছে । ডি ভোটাৰৰ নামত ভাৰতীয় নাগিৰককে হাৰাশাস্তি বন্ধ কৰিবলৈ আহ্বান জনায় মুছাৰ উপসভাপতি ফজৰ আলীয়ে । অসমৰ মুছলমান সকলৰ জীৱন সম্পত্তি নিৰাপত্তা প্ৰদান কৰক, অমানৱীয় উচ্ছেদ বন্ধ কৰক, উচ্ছেদ কৰাৰ পুৰ্বে উচ্ছেদিত লোকসকলক পুনৰ সংস্থাপন দিয়ক, ভূমিহীন লোকক ভূমি পট্টা প্ৰদান কৰক, ধৰ্ম্মীয় সংখ্যালঘু মুছলিম সম্প্ৰদায়ৰ ওপৰত অমানৱীয় অত্যাচাৰ বন্ধ কৰক, অসমৰ ডি ভোটাৰ সমস্যা সমাধান কৰক, বিদেশী খেদাৰ নামত ভাৰতীয় নাগৰিক মুছলিমক হাৰাশাস্তি বন্ধ কৰক, মুছলিম স্বায়ত্ব শাসিত পৰিষদ গঠন কৰক, অসমত মুছলিম বিশ্ববিদ্যালয় স্থাপন কৰক, অসমৰ জলন্ত সমস্যা বানপানী সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়ক, ধৰ্ষণকাৰী সকলক ফাঁচী দিয়ক আৰু নাৰী সকলৰ সুৰক্ষা সুনিশ্চিত কৰক আৰু ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগত অসম লৈ অহা লোক সকলক খিলঞ্জীয়া হিচাপে স্বকৃতি প্ৰদান কৰা আদি কৰি ১১ দফীয়া দাবীৰে মুছলমান সকলৰ ন্যায় আৰু প্ৰাপ্য অধিকাৰ বিচাৰি দিল্লীৰ যন্তৰ-মন্তৰত ধৰ্ম্মঘট কাৰ্য্যসূচী ৰূপায়ন কৰি ভাৰতৰ প্ৰধানমন্ত্ৰীক স্মাৰক প্ৰেৰন কৰে মুছাই ।

# গোলকগঞ্জত অতিৰিক্ত শিল কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্য, নিৰ্লিপ্ত ভূমিকাত প্ৰশাসন

**ই-সংবাদ, গোলকগঞ্জ, ২০ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত বন, পৰিবহন আৰু আৰক্ষীৰ জ্ঞাতসাৰে নিৰ্বিঘ্নে অহৰ্নিশে অতিৰিক্ত শিল পৰিবাহী ডাম্পাৰৰ দৌৰাত্ম্যই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰৰ শিমুলটাপুৰ পৰা অতিৰিক্ত শিল কঢ়িওৱা ডাম্পাৰ সমূহ নিশাৰ ভাগত ১২৭ (খ)নং ৰাষ্ট্ৰীয় ঘাইপথেৰে তামাৰহাট, পাগলাহাট, মটৰৈঝাৰ হৈ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত উঠি গোলকগঞ্জ হৈ সোনাহাট আন্তৰ্জাতিক বানিজ্য কেন্দ্ৰলৈ যায়। শিল সমূহ বানিজ্য কেন্দ্ৰৰ ওচৰে পাজৰে জমা কৰি বিভাগীয় নিয়মানুসৰি ট্ৰাকেৰে বাংলাদেশলৈ ৰপ্তানি কৰা হয়। কিন্তু শিলবোৰ ডাম্পাৰেৰে কঢ়িওৱাৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতি অনিয়ম চলাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ মতে, নিশাৰ ভাগত প্ৰতিখন ডাম্পাৰে নিৰ্ধাৰিত নিৰিখত অত্যাধিক হাৰত, দ্বিগুণতকৈ বেছিকৈ শিল কঢ়িয়াই আহিছে। এখন ডাম্পাৰৰ পৰিবহন ক্ষমতা বিশ পঁচিশ টন যদিও পৰিবহন বিভাগ বন বিভাগ আৰু আৰক্ষীক মেনেজ কৰি প্ৰতিখন ডাম্পাৰে নিশাৰ ভাগত ষাঠি পয়ষট্টি টনকৈ শিল কঢ়িয়াই আহিছে। ষাঠি পয়ষট্টি টন কৈ শিল কঢ়িয়ালেও বাস্তৱত চালানত উল্লেখ থাকে বিশ পঁচিশ টন বুলি। যাৰ ফলত প্ৰতি দিনেই ৰাজ্য চৰকাৰে হেৰুৱাই আছে কেইবা লক্ষাধিক টকাৰ ৰাজহ। শেহতীয়াকৈ এটা চিণ্ডিকেট চক্ৰৰ নেতৃত্বত চলিছে এই দূৰ্ণীতি অনিয়ম। শীঘ্ৰে ইয়াক বন্ধ নকৰিলে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি আজি সকীয়নি দিয়ে কমতাপুৰ পিপলচ পাৰ্টীৰ ধুবুৰী জিলা সম্পাদক নিখিল ৰায়।




বিশ্বনাথ জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত এখনি সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ দৃশ্য, ফটো শুকুৰবাৰৰ

# ছাউথ বৰপেটা হাইস্কুলত যুৱ মহোৎসৱ

**ই-সংবাদ, শিমলীতোলা,২০ ডিচেম্বৰঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰৰ এখনি ভেঙ্গাৰ শিক্ষানুষ্ঠান ছাউথ বৰপেটা হাইস্কুলৰ তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা যুৱ মহোৎসৱৰ বৃহস্পতিবাৰে সফল সামৰণি পৰে।প্ৰথম দিনা উত্তোলনেৰে কাৰ্য্যসূচী আৰম্ভ কৰি প্ৰত্যেক দিনতে বিভিন্ন কাৰ্যসূচী সমাজ সেৱা,গজল, কোৰাণ পাঠ, আকস্মিক বক্তৃতা,তৰ্ক, সাধাৰণ খেল-ধেমালি, ভেশচন, সাংস্কৃতিক অনুষ্ঠান ইত্যাদি বিভিন্ন প্ৰতিযোগিতামূলক অনুষ্ঠানৰ আয়োজন কৰে। শেষ দিনাৰ কাৰ্যসূচী ছাত্ৰ একতা সভাৰ সভাপতি তথা প্ৰধান শিক্ষক আব্দুল বাৰিক মণ্ডলৰ পৌৰহিত্যত অনুষ্ঠিত মুকলি ও বঁটা বিতৰণীমুখ্য অতিথি হিচাপে উপস্থিত থাকে চেঙা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইন। লগতে দলগোমা আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰৱক্তা আবুসামা আহমেদ, লুইত পৰীয়া মহাবিদ্যালয়ৰ প্ৰৱক্তা আব্দুল ওৱাহাব চৌধুৰী,আলোপতি মাজৰচৰ জিলা পৰিষদৰ প্ৰাক্তন সদস্য,মীৰ্জা নেউৱাজ শ্বৰীফ, অৱসৰপ্ৰাপ্ত শিক্ষকসকল ক্ৰমে জাফৰ আলী আহমেদ,তৈয়ব আলী শ্বেখকে ধৰি বহুতো গন্য মান্য ব্যক্তি সকলে উপস্থিত থাকি তথ্য গধূৰ ভাষন প্ৰদান কৰে। পুৱ বাঘমাৰা চৰৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান যি খন অনুষ্ঠানে ইতিমধ্যে যোৱা বছৰ ২৫ বৰ্ষত ভৰি দিয়াত ধুমধামেৰে ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰিছে । উক্ত অনুষ্ঠানত অবৈতনিকে ধৰি প্ৰায় ১০ জন শিক্ষক-শিক্ষয়িত্ৰীয়ে বিনা বেতনে যোৱা ২৬ টা বছৰে নিদিষ্ট অঞ্চলৰ ছাত্ৰ ছাত্ৰী সকলোক শিক্ষাৰ পোহৰ বিলাই আহিছে। চৰকাৰে যাতে এই বিদ্যালয়ৰ লগতে এনে পৰ্যায়ৰ বিদ্যালয় সমূহ চৰকাৰী কৰন কৰে তাৰ বাবে বিদ্যালয় কতৃপক্ষই বিধায়ক আশ্ৰাফুল হুছেইনক বিষয়টো চৰকাৰৰ ওচৰত উত্থাপন কৰাৰ লগতে অসম চৰকাৰক বিষয়টো বিবেচনা কৰাৰ বাবে কাতৰ আহ্বান জনায়। ভাষন প্ৰসংগত বিধায়ক জনে কয় যে আগন্তুক বিধানসভা বাজেট অধিৰেশনত এনে পৰ্যায়ৰ বিদ্যালয় চৰকাৰীকৰন কৰিবলৈ দাবী জনায়।

# হাজো আৰক্ষীৰ গৰু চোৰৰ বিৰুদ্ধে অভিযান

**ই-সংবাদ, হাজো, ২০ ডিচেম্বৰ :** ৰাজ্যত গো-মাংস নিষিদ্ধ হোৱাৰ পিছতেই উদ্বেগজনকভাৱে বৃদ্ধি পাইছে গৰু চুৰিৰ ঘটনা। কামৰূপ জিলাৰ হাজোতো ভিন্ন প্ৰান্তৰ পৰা প্ৰতিদিনে চুৰি হৈছে এটাৰ পিছত আন এটা গৰু। ইয়াৰ মাজতে নিশা গৰু চোৰৰ বিৰুদ্ধে অভিযান চলাই হাজো আৰক্ষীয়ে। আৰক্ষীৰ অভিযানত হাজোৰ ভিন্ন প্ৰান্তৰ পৰা উদ্ধাৰ আঠটাকৈ চোৰাং গৰু। প্ৰথমে কোঁৰৰপুৰৰ বালাত অভিযান চলাই ইক্ৰাম আলীৰ ঘৰত চাৰিটা আৰু চুলতান আলীৰ ঘৰৰ পৰা দুটা চোৰাং গৰু উদ্ধাৰ কৰে আৰক্ষীয়ে। ইয়াৰ পিছতে পুৱতি নিশা পুণৰ হাজোৰ বৰ্ণিত আৰক্ষীয়ে অভিযান চলাই AS01FA2207 নম্বৰৰ এখন বিলাসী চুইফ্ট বাহনৰ সৈতে দুটাকৈ চোৰাং গৰু জব্দ কৰিবলৈ সক্ষম হয়। লগতে আৰক্ষীয়ে আটক কৰে নলবাৰী জিলাৰ মুকালমুৱা আৰক্ষী থানাৰ অন্তৰ্গত গলদীঘলীয়াৰ ৰিংকু আলী(২৩)ক। সম্প্ৰতি হাজো আৰক্ষী থানা চৌহদত ৰখা হৈছে উদ্ধাৰ হোৱা গৰু কেইটা।

# হালাকুৰাত ড্ৰাগছসহ ধৃত এজন

**ই-সংবাদ, গোলকগঞ্জ, ২০ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী তালাচী চকীৰ অন্তৰ্গত সোনাখুলী দ্বিতীয় খণ্ড গাঁৱত আজি দুপৰীয়া ড্ৰাগছ বিক্ৰী কৰিবলৈ গৈ এঘৰত এজন সৰবৰাহকাৰী আটক হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, দীঘলটাৰী গাঁৱৰ জাহাঙ্গীৰ আলী ড্ৰাগছ বিক্ৰী কৰিব গৈছিল সোনাখুলী দ্বিতীয় খণ্ড গাঁৱৰ হামেদ আলীৰ ঘৰত। ঘৰ খনৰ লোকে জাহাঙ্গীৰক আটক কৰি মাৰপিট কৰে। ইয়াক কেন্দ্ৰস্কস্কুউওম কৰি উত্তেজনাৰ সৃষ্টি হয়। একাংশৰ মতে ঘৰ খনত দীৰ্ঘ দিনৰ পৰাই ড্ৰাগছৰ ব্যৱসায় চলি আছিল। জাহাঙ্গীৰ আৰক্ষীক খবৰ দিয়াৰ বাবেই ষড়যন্ত্ৰ মূলক ভাবে মাতি নি তেওঁক ড্ৰাগছৰ সৈতে আটক কৰাৰ নাটক ৰচিছে। হালাকুৰা আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম নহয়। পিছত ছাগলীয়া আৰক্ষী উপস্থিত হৈ ছয়টা নিষিদ্ধ ব্ৰাউন ছুগাৰৰ কন্টেনাৰসহ জাহাঙ্গীৰক আটক কৰি লৈ যায়।



বঙাইগাঁৱত কংগ্ৰেছৰ প্ৰতিবাদৰ দৃশ্য

# নগাঁৱৰ মেল'ডী নাট্যগোষ্ঠীৰ ব্যতিক্ৰমী প্ৰয়াসক প্ৰশংসা সৰ্বত্ৰে

# মঞ্চত তুলি ধৰিব মানৱ দৰদী চৰিত্ৰ 'চাকোলা কৈৱৰ্ত্ত'ৰ জীৱনগাঁথা

**ই-সংবাদ, বেবেজীয়া, ২০ ডিচেম্বৰঃ** মধ্য অসমৰ নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত এটি অঞ্চল হৈছে 'চকলাঘাট' । শিক্ষা, সামাজিক, সাহিত্য, সংস্কৃতি আদি সকলোতে আগবঢ়া এই বৃহত্তৰ অঞ্চলটো । এই অঞ্চলটোৰ বায়ু-পানী-মাটিৰ সংস্পৰ্শত থাকিয়েই ডাঙৰ-দীঘল হোৱা বহুজনেই ইতিমধ্যে বিভিন্ন ক্ষেত্ৰত উজ্বলি উঠি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে । পিছে এই অঞ্চলটোৰ লগত জড়িত হৈ আছে এক জনপ্ৰবাদ । জানিব পৰা মতে, আজিৰ পৰা প্ৰায় দুশ বছৰ আগতে এই অঞ্চলৰ কাষেৰে বৈ যোৱা সোনাই নদীৰ পাৰত গঢ় লৈ উঠিছিল ঐতিহাসিক এটা ঘাট । এই ঘাটটোত চাকোলা কৈৱৰ্ত্ত নামৰ এজন মানৱ দৰদী ব্যক্তিয়ে নাঁওৰে মানুহক নদীখনৰ ইপাৰ সিপাৰ কৰিছিল । ঘাইকৈ তেওঁ নদীখনৰ উত্তৰ দিশে থকা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বৰদোৱালৈ অহা যোৱা কৰিবৰ বাবে ভকত-বৈষ্ণৱক নদীখন নাঁওৰে পাৰ কৰি দিছিল । শাৰীৰিকভাবে অক্ষম হোৱা স্বত্বেও কেৱল মানুহক সহায় কৰাৰ উদ্দেশ্যেই বহু কষ্টৰে এনে মহান কামত জড়িত থকাৰ হেতু কালক্ৰমত সেই নদীৰ ঘাটটো 'চাকোলা ঘাট' হিচাপে জনাজাত হৈ পৰাৰ লগতে তেওঁ বাস কৰা অঞ্চলটোৰ নামো চোকোলাঘাট হৈ পৰে । অৱশ্যে পিছলৈ মানুহৰ মুখ বাগৰি বাগৰি পৰবৰ্তী পৰ্যায়ত এই অঞ্চলটোৰ নাম 'চকলাঘাট' হৈ পৰে । সেই নদীৰ ঘাটটোয়েই আজিও মানুহৰ মাজত মহামিলনৰ সাক্ষী হৈ আছে । মানৱ সেৱাক আগস্থান দিয়া মানৱ দৰদী চাকোলা কৈৱৰ্ত্তৰ জীৱন ভিত্তিক আৰু অলিখিত সেই বিশেষ ঘাটটোৰ ৰহস্যময় কাহিনীৰ আধাৰত এখনি নাট লিখি উলিয়াইছে এই অঞ্চলটোৰ সুসন্তান তথা বিশিষ্ট নাট্যকাৰ, পৰিচালক ধ্ৰুৱজ্যোতি বৰাই । আচলতে, পাহৰনিৰ গৰ্ভত হেৰাই যাব ধৰা চকলাঘাট অঞ্চলটোৰ ইতিবৃত্তি ৰাজ্যবাসীৰ লগতে নৱপ্ৰজন্মক জ্ঞাত কৰাৰ মানসেৰে ৰছনা কৰা 'চাকোলা-সোনাইপৰীয়া এক কিংবদন্তি' শীৰ্ষক এই নাটখনি অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান মেল'ডী নাট্যগোষ্ঠীয়ে মঞ্চস্থ কৰাৰ ইতিমধ্যে সিদ্ধান্ত গ্ৰহন কৰিছে । সেই অনুসৰি ধ্ৰুৱজ্যোতি বৰাৰ পৰিচালনাত নাট্যগোষ্ঠীটোৰ চকলাঘাটৰ ফুলনিআটিত থকা আখৰাগৃত পূৰ্ণগতিত আখৰা চলাই থকা এই নাটখনি সমাগত নৱবৰ্ষৰ ৮ জানুৱাৰীত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত মঞ্চস্থ কৰা হ'ব । গতিকে উক্ত দিনা সন্ধিয়া ৬ বজাৰ পৰা মঞ্চস্থ হ'বলগীয়া এই নাটখনি উপভোগ কৰি উৎসাহিত কৰিবলৈ পৰিচালক ধ্ৰুৱজ্যোতি বৰাই নাট্যপ্ৰেমী ৰাইজৰ প্ৰতি অনুৰোধ জনাইছে ।

# সাংবাদিক নিগ্ৰহৰ বিৰুদ্ধে ৰঙিয়াত তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, ৰঙিয়া, ২০ ডিচেম্বৰঃ** সদৌ অসম বাৰ্তাজীৱি সংঘৰ আহ্বান মৰ্মে গুৱাহাটীত কৰ্তব্যৰত অৱস্থাত সাংবাদিকৰ ওপৰত আৰক্ষীয়ে কৰা বৰ্বৰ আক্ৰমণৰ ঘটনাৰ বিৰুদ্ধে কামৰূপ জিলা সাংবাদিক সন্থাৰ সহযোগত আজি ৰঙিয়া প্ৰেছ ক্লাৱত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা হয় ।কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি প্ৰকাশ ডেকা ,ৰঙিয়া প্ৰেছ ক্লাৱৰ সভাপতি জীতেন্দ্ৰ জাজোডিয়াৰ নেতৃত্বত ৰূপায়িত প্ৰতিবাদী কাৰ্যসূচীত কলা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰে ৰঙিয়া প্ৰেছ ক্লাৱৰ বিষয়ববীয়া তথা সদস্য সকলে।প্ৰতিবাদ কালত সাংবাদিকৰ সুৰক্ষা নিশ্চিত কৰক, সাংবাদিকৰ ওপৰত আৰক্ষীয়ে কৰা নিৰ্যাতনৰ বিচাৰ কৰক, দোষী আৰক্ষীক কঠোৰ শাস্তি দিয়ক আদি দাবীৰে প্ৰতিবাদ স্থলী উত্তাল কৰি তোলে সাংবাদিক সকলে।

# ছিপাঝাৰত সামাজিক সংস্থাৰ অনুকৰণীয় পদক্ষেপ

**ই-সংবাদ , ছিপাঝাৰ, ২০ ডিচেম্বৰঃ** দৰং জিলাৰ ছিপাঝাৰৰ বৃহত্তৰ বৰদৌলগুৰিৰ ঐতিহ্যমণ্ডিত সামাজিক-সামূহিক অনুষ্ঠান নৱৰূপ গোষ্ঠীয়ে ১৯ ডিচেম্বৰত অনুষ্ঠুপীয়া কাৰ্যসূচীৰে ৪০তম প্ৰতিষ্ঠা দিৱসটি পালন কৰে । এই উপলক্ষে ৰাজ্যিক সংগ্ৰহালয়ৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক সুনীল গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সংস্থাটোৰ নৈমিত্তিক কাৰ্যাৱলীৰ উপৰি ভৱিষ্যতৰ বাবে একাধিক নতুন কল্যাণমূলক আঁচনি গ্ৰহণ কৰা হয় । ইয়াৰ ভিতৰত অন্যতম হ'ল আগন্তুক বৰ্ষৰ পৰা বৰদৌলগুৰি অঞ্চলৰ দুখীয়া ছাত্ৰ-ছাত্ৰীক আৰ্থিক সকাহ দিয়াৰ মানসেৰে প্ৰতি বছৰে এগৰাকী আৰ্থিক ভাবে দুৰ্বল অথচ মেধাৱী ছাত্ৰ বা ছাত্ৰীলৈ এক আৰ্থিক অনুদান আগবঢ়োৱা হ'ব বুলি সম্পাদক যুগল কিশোৰ নাথে জানিবলৈ দিয়ে।



গুৱাহাটীত অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ নেতৃত্বত প্ৰতিবাদৰ দৃশ্য, ফটো শুকুৰবাৰৰ

# লাহোৱালত বাঘৰ সন্ত্ৰাসঃ আতংকিত ৰাইজ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২০ ডিচেম্বৰঃ** ডিব্ৰুগড় বন সংমণ্ডলৰ অধীনৰ লাহোৱালৰ বকুল মাজ গাঁৱত এসপ্তাহ ধৰি বাঘে চলাইছে সন্ত্ৰাস। গাঁওখনত গৰু, ছাগলী, কুকুৰ আদি খোৱাৰ লগতে সন্ত্ৰাস সৃষ্টি কৰি আছে। ডিব্ৰুগড়ৰ বন বিভাগৰ লোকক অৱগত কৰা হৈছে। বন বিভাগে গাঁওখনৰ বাঘ বিচৰণ কৰা ঠাইত পিঞ্জৰা সংস্হাপন কৰিছে যদিও পিঞ্জৰাবদ্ধ হোৱা নাই। আতংকিত হৈ পৰিছে গাঁওবাসী। গাঁৱৰ বহু লোকে বাঘটো মুক্ত বিচৰণ কৰা প্ৰত্যক্ষ কৰিছে। গাঁওখনৰ কেইবাজনো লোকৰ লগতে এই প্ৰতিবেদকেও গাড়ীৰ ভিতৰৰ পৰা প্ৰত্যক্ষ কৰি মবাইলত ফটো আৰু ভিডিঅ সংগ্ৰহ কৰিছে। স্হানীয় ৰাইজে বাঘটো পিঞ্জৰাবদ্ধ কৰিবলৈ আৰু পিঞ্জৰা সংস্হাপন কৰিবলৈ বন বিভাগক দাবী জনাইছে।

# শিৱসাগৰত সাংবাদিকৰ প্ৰতিবাদ

**ই-সংবাদ, শিৱসাগৰ, ২০ ডিচেম্বৰঃ** গুৱাহাটীত যোৱা ১৮ ডিচেম্বৰত এটা ৰাজনৈতিক দলে কৰা প্ৰতিবাদী কাৰ্যসূচীৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকৰ ওপৰতো কন্দুৱা গেছ নিক্ষেপ কৰা কাৰ্যৰ বিৰুদ্ধে আজি শিৱসাগৰত সাংবাদিক সকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। শিৱসাগৰ ই-মেডিয়া সংস্থাৰ উদ্যোগত ঐতিহাসিক শিৱদৌলৰ সন্মুখত ক'লা বেজ পৰিধান কৰি , হাতে হাতে প্লে-কাৰ্ড লৈ অসম আৰক্ষীৰ বৰ্বৰতাৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰে সাংবাদিক সকল। কেইবাটাও জাতীয় সংগঠনৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি শিৱসাগৰ ই-মেডিয়া সংস্থাৰ সভাপতি জয়জ্যোতি গগৈয়ে কয় যে "সাংবাদিকে ভাষ্য লৈ থকা সময়ত , ভিডিঅ' লৈ থকা সময়ত আৰক্ষীয়ে নিৰ্বিচাৰভাৱে কন্দুৱা গেছ নিক্ষেপ কৰাৰ ফলতে একাংশ সাংবাদিক অসুস্থ হৈ পৰে, আহত হয় । এয়া অতি গৰিহাণাযোগ্য কাম কৰিলে আৰক্ষীয়ে । আৰক্ষীয়ে সাংবাদিকৰ ওপৰত কন্দোৱা গেছ প্ৰয়োগ কৰি চতুৰ্থ স্তম্ভৰ মুখ বন্ধ কৰিবলৈ চেষ্টা কৰিছে। সাংবাদিকৰ ওপৰত কৰা এনে আক্ৰমণ ,অত্যাচাৰ বন্ধ কৰা উচিত ।কাৰ্যসূচীত অংশগ্ৰহণ কৰি ই-মেডিয়া সংস্থাৰ যুটীয়া সম্পাদক প্ৰদীপ গগৈয়ে আৰক্ষীয়ে সাংবাদিকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ পৰিৱৰ্তে সাংবাদিকৰ কৰ্মত বাধাহে প্ৰদান কৰি স্বেচ্ছাচাৰী ৰূপ প্ৰদৰ্শন কৰিছে। এয়া গণতন্ত্ৰৰ বাবে শুভ লক্ষণ নহয় বুলিও ক্ষোভ প্ৰকাশ কৰে গগৈয়ে। আনগৰাকী যুটীয়া সম্পাদক মুজ্জাকিৰ আহমেদে এফালে চৰকাৰৰ নেতৃত্বত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পাতি সাংবাদিকৰ কৰ্তব্য, স্বাধীনতাৰ বিষয়ে আলোচনাও কৰিব আনফালে কৰ্তব্যৰত সাংবাদিকৰ ওপৰত আক্ৰমণো কৰিব এয়া কেনে কথা বুলি তীব্ৰ সমালোচনা কৰে। লগতে সাংবাদিকৰ নিৰাপত্তা নিশ্চিত কৰাৰ দাবী জনায়। অনুষ্ঠানত আটাছু নেতা পাৰ্থ গগৈ, অসমীয়া যুৱ মঞ্চৰ ৰিদিপ দত্ত , ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ ছন্দীপ গগৈয়ে সাংবাদিকৰ ওপৰত শাসক পক্ষই বাৰে বাৰে আক্ৰমণ কৰি গণতন্ত্ৰৰ বাক্ স্বাধীনতা সম্পূৰ্ণ খৰ্ব কৰা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। লগতে অনাগত দিনত যাতে এনে ঘটনা নহয় তাৰ বাবে দাবী জনাই। উক্ত কাৰ্যসূচীত জেষ্ঠে সাংবাদিক মনোজ কুমাৰ গগৈ, ফিৰোজ খান, আশ্ৰাফুৰ ৰহমান , মুস্তাকুৰ ৰহমান, ইৰছাদ উল্লাহ , প্ৰাঞ্জল পূজাৰী, পৰিক্ষীত গগৈ, প্ৰশান্ত দাস, মুদাছিৰ ৰমিজকে ধৰি বহু সংখ্যক সাংবাদিকে অংশগ্ৰহণ কৰে।

# ছিপাঝাৰত স্বাস্থ্য খণ্ডৰ ফোপোলা স্বৰূপ, তিনিমাহে এক্স-ৰে সেৱাৰ পৰা বঞ্চিত ৰোগী

**ই-সংবাদ, ছিপাঝাৰ, ২০ ডিচেম্বৰঃ** ৰাজ্যখনত শিক্ষা বিভাগৰ পিছতে স্বাস্থ্য বিভাগতো গুণোৎসৱৰ দৰে পদক্ষেপেৰে কোটি কোটি ৰাজহুৱা ধন ব্যয়েৰে স্বাস্থ্য খণ্ডত সেৱাৰ মান উন্নত কৰা তথা চৰকাৰখনে দুখীয়া ৰাইজক বিনামূলীয়া স্বাস্থ্য সেৱা প্ৰদানৰ ঢাক-ঢোল বজাই অহাৰ সময়তে ছিপাঝাৰস্থিত এফআৰইউখনত থকা এক্স-ৰে মেছিনটো সুদীৰ্ঘ তিনিমাহ ধৰি বিকল হৈ থকা অৱস্থাই উদঙাই দিছে গুৰুত্বপূৰ্ণ সেৱাখণ্ডৰ বিভাগটোৰ ফোপোলা স্বৰূপ। দুখীয়া ৰাইজৰ চিকিৎসাৰ আশা ভৰষাৰ থলী চিকিৎসালয়খনৰ যেন সমস্যাৰ শেষ নাই। চিকিৎসকে ৰোগীসকলক কিবা প্ৰয়োজনীয় পৰীক্ষা কৰিবলৈ দিলে বাহিৰত থকা ব্যক্তিগত খণ্ডৰ পৰীক্ষাগাৰসমূহত অধিক ধন নভৰাকৈ চিকিৎসা কৰিব নোৱাৰাৰ অভিযোগ দীৰ্ঘদিনীয়া। একেদৰে প্ৰসূতিসকলৰ বাবে অতি প্ৰয়োজনীয় পৰীক্ষা যেনে ইচিজি, আলট্ৰাচাউণ্ড আদিতো বিভিন্ন অজুহাতত দুখীয়া ৰোগীসকলে ধন ভৰি আহিছে। শেহতীয়াকৈ এনে এক অজুহাততে সুদীৰ্ঘ তিনিমাহ ধৰি এক্স-ৰে সেৱা ব্যাহত হৈ আছে চিকিৎসালয়খনত। প্ৰণিধানযোগ্য যে, এক সূত্ৰ অনুসৰি চিকিৎসালয়খনৰ সমীপত থকা বিদ্যুৎ বিভাগৰ এটি ট্ৰেন্সফৰ্মাৰ বিকল হৈ থকা বাবে প্ৰয়োজনীয় বিদ্যুৎ সৰবৰাহ নোহোৱাৰ বাবে এক্স-ৰে মেচিনটো অপাৰেটৰে চলাব পৰা নাই। তেনে পৰিপ্ৰেক্ষিতত ছিপাঝাৰ বিদ্যুৎ সংমণ্ডল আৰু চিকিৎসালয় পৰিচালনা সমিতিৰ চূড়ান্ত অকৰ্মণ্যতা আৰু দায়িত্বজ্ঞানহীনতাৰ বলি হৈছে দুখীয়া ৰোগীসকল। প্ৰণিধানযোগ্য যে, চিকিৎসালয়খনত প্ৰতিদিনে জৰুৰী এক্স-ৰেৰ বাবে সময় বিশেষে অৰ্ধ শতাধিক ৰোগীৰ ভিৰ হয়। মাথো এয়ে নহয়, চিকিৎসালয়খনত সময়মতে চিকিৎসক নহা, জৰুৰী জীৱনদায়িনী ৰবৰ যোগান নথকা, প্ৰয়োজনীয় চিকিৎসাৰ সা-সুবিধা তথা সঁজুলি নথকা, গুৰুতৰভাৱে আক্ৰান্ত ৰোগীৰ চিকিৎসাৰ বাবে থাকিবলগীয়া সুবিধা নথকা আদি এশ-এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত চিকিৎসালয়খনৰ বিষয়ে স্বাস্থ্যমন্ত্ৰীৰ লগতে খোদ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো ৰাইজৰ লগতে ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাই অৱগত কৰিছিল যদিও সেয়া গালো বালো খোলাকটি হৈ থাকিল। ইপিনে ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়েও চিকিৎসালয়খনৰ সমস্যা সন্দৰ্ভত ধৃতৰাষ্ট্ৰৰ ভাও লৈ আহিছে । মুঠতে বৃহত্তৰ ছিপাঝাৰৰ এক বৃহৎ জনসংখ্যাৰ স্বাস্থ্যসেৱাৰ ভৰসাৰ থলী একমাত্ৰ চিকিৎসালয়খন জনপ্ৰতিনিধি আৰু কৰ্তৃপক্ষৰ অমনোযোগিতা তথা অকৰ্মণ্যতাৰ বাবে নিজেই ৰোগাক্ৰান্ত হৈ পৰিছে। এনে ক্ষেত্ৰত চিকিৎসালয়খনৰ সমস্যাসমূহ নিৰাময়ৰ বাবে বিধায়ক, স্বাস্থ্যমন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰিছে ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থা তথা স্থানীয় ৰাইজে।

# ভুৱা অনুসূচিত জাতিগত প্ৰমাণ পত্ৰৰে অধ্যাপকৰ দপদপনি, সংবাদমেলত সৰৱ ৰুবুল দাস

**ই- সংবাদ, মিৰ্জা: ২০ ডিচেম্বৰ:** শিক্ষাজগত কলংকৃত কৰি ভুৱা জাতিগত প্ৰমাণ পত্ৰৰে জাতিটোকে লজ্জানত কৰা নহয় চৰকাৰকো চৰম পন্থাৰে বিপথে পৰিচালিত কৰি মানৱ সম্পদ গঢ় দিৱলৈ কাৰখানাত প্ৰৱেশ কৰা এজন অধ্যাপকৰ কু- কীৰ্তী পুণৰ এবাৰ পোহৰলৈ আহিছে ।দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত কুকুৰমাৰা আমতʼলা গাঁৱৰ প্ৰয়াত মহন্ত দাসৰ পুত্ৰ ড: বিশ্বজিৎ দাসে ১৯৮৬ চনৰ ২০ ডিচেম্বৰত অনুসূচীত জাতিৰ লোক বুলি নিজকে দাবী কৰি এখন ভুৱা জাতিগত প্ৰমাণ পত্ৰ (SC) লাভ কৰি আজি কিছু বছৰৰ পৰা দক্ষিণ কামৰূপ ছয়গাঁৱৰ একমাত্ৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠান ছয়গাঁও মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ গণিত বিভাগত অনুসূচীত জাতিৰ বাবে সংৰক্ষিত পদ এটিত কৰ্মৰত হৈ আছিল। কিন্তু এশ গৰু ভক্ষণ কৰিলে এদিন বাঘৰো যে মৰণ তাৰ লেখিয়াকৈ ঘটিল এই ঘটনাটি । গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম এচ চি, পিজিডিচিএ ডিগ্ৰী লোৱা এই গৰাকী সুনিপুণ মানৱ সম্পদ গঢ় দিয়া খনিকৰৰ ওপৰত চকু পৰিল অনুসূচীত জাতি যুৱ ছাত্ৰ পৰিষদৰ। সেইমৰ্মে অনুসূচীত জাতি যুৱ ছাত্ৰ পৰিষদে তথ্য জনা অধিকাৰ আইনৰ জৰিয়তে উচ্চ শিক্ষা বিভাগত ড: দাসৰ জাতিগত প্ৰমাণ পত্ৰ খন বিচাৰে আৰু তাৰ পিচতে ওলাই পৰিল উৰহী গছৰ ওৱ।বহুবক্সী ড: বিশ্বজিৎ দাসৰ জাতিগত প্ৰমাণ পত্ৰৰ বহী নম্বৰ ১৯৭, আৰুক্ৰমিক নম্বৰ ১৯৬৮৩ ৰ ভিত্তিত অনুসূচীত জাতি যুৱ ছাত্ৰ পৰিষদৰ প্ৰধান কাৰ্যকৰ্তা ৰুবুল দাসে কামৰূপ জিলা উপায়ুক্ত কাৰ্যালয়ত প্ৰতিবেদন বিচৰাত ৯ ডিচেম্বৰত জিলা উপায়ুক্ত ই প্ৰতিবেদন দিলে যে ড: বিশ্বজিৎ দাস নামৰ লোকজন অনুসূচীত জাতিৰ লোক নহয়। তাৰ পিছতে ১৩ ডিচেম্বৰত অনুসূচীত জাতি যুৱ ছাত্ৰ পৰিষদে গুৱাহাটীস্থিত দিছপুৰ প্ৰেছ ক্লাৱত সংবাদমেল পাতি সৰৱ হৈ পৰে আৰু সমগ্ৰ বিষয়টো চিআইডি ৰ তদন্তৰ আউতালৈ নিব বুলি সাংবাদিকক জানিবলৈ দিয়ে।

# সাংবাদিকক কন্দুৱা গেছ প্ৰয়োগ, গৰিহণা অসম বাৰ্তাজীৱী সংঘৰ

**ই-সংবাদ, মঙলদৈ, ২০ ডিচেম্বৰঃ** সাংবাদিকৰ নিৰাপত্তা নিশ্চিত কৰিব নোৱাৰা ৰাজ্য চৰকাৰৰ আৰক্ষী বিভাগে নিজৰ কৰ্তব্য পালন কৰিবলৈ যোৱা সাংবাদিকক কন্দুৱা গেছ প্ৰয়োগ কৰি গুৰুতৰভাৱে আহত কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিছে অসম বাৰ্তাজীৱি সংঘই। উল্লেখ্য যে যোৱা ১৮ ডিচেম্বৰত গুৱাহাটীত এক ৰাজনৈতিক দলৰ প্ৰতিবাদী কাৰ্যসূচীত নিজৰ কৰ্তব্য পালন কৰিবলৈ যোৱা সাংবাদিকক আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰা কাৰ্যক অ মানবীয় আখ্যা দি অসম বাৰ্তাজীৱি সংঘৰ উদ্যোগত আজি সমগ্ৰ ৰাজ্যজুৰি সাংবাদিকসকলে কʼলা বেজ পৰিধান কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অসম বাৰ্তাজীৱি সংঘৰ সভাপতি মধুসূদন মেধি আৰু সম্পাদক মুকুট ৰাজ শৰ্মাই এই সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি প্ৰেৰণ কৰা এক যুটীয়া বিবৃতিত কয় যে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ সংবাদ মাধ্যম আৰু ইয়াৰ সৈতে জড়িত সাংবাদিকসকলৰ ওপৰত কন্দুৱা গেছ প্ৰয়োগ কৰি আৰক্ষীয়ে চলোৱা বৰ্বৰ ঘটনাই চৰকাৰৰ প্ৰকৃত স্বৰূপ উদঙাই দিছে। সাংবাদিকক নিৰাপত্তা দিব নোৱাৰা চৰকাৰখনে জনসাধাৰণক কি নিৰাপত্তা দিব বুলি কটাক্ষ কৰি ৰাজ্যখনৰ সৰ্ব বৃহৎ আৰু শক্তিশালী সাংবাদিক সংগঠন অসম বাৰ্তাজীৱি সংঘৰ সভাপতি-সম্পাদকে আৰক্ষীৰ এনে কাৰ্যক কেতিয়াও সহ্য কৰা নহʼব বুলি কয়। জনসাধাৰণৰ সৰ্বাংগীন উন্নয়নৰ হকে অহোপুৰুষাৰ্থ কৰি অহা সাংবাদিকসকলৰ সংবিধান প্ৰদত্ত অধিকাৰ খৰ্ব হোৱা সকলোধৰণৰ কাৰ্যৰ পৰা সকলো পক্ষই বিৰত থাকি সাংবাদিকৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ বিবৃতিটোত চৰকাৰ আৰু আৰক্ষী প্ৰশাসনক দাবী জনায়। সেইদিনা নিজৰ কৰ্তব্য পালন কৰিবলৈ গৈ আৰক্ষীৰ কন্দুৱা গেছ প্ৰয়োগৰ ফলত গুৰুতৰভাৱে আহত হোৱা সাংবাদিকসকলৰ আশু আৰোগ্য কামনা কৰে অসম বাৰ্তাজীৱী সংঘই। স্মৰ্তব্য যে আৰক্ষীয়ে সাংবাদিকৰ ওপৰত কন্দুৱা গেছ প্ৰয়োগ কৰা ঘটনাক গৰিহণা দিয়াৰ লগতে অসম বাৰ্তাজীৱি সংঘই জনোৱা আহ্বানৰ প্ৰতি সহাৰি জনাই আজি সমগ্ৰ অসমতে কটলা বেজ পৰিধান কৰি সাংবাদিক সকলে পতিবাদ জনাই । সংঘৰ জিলা সমিতিসমূহৰ লগতে সমগ্ৰ ৰাজ্যৰ প্ৰেছ ক্লাব সমূহত সাংবাদিকসকলে আজি কʼলা বেজ পৰিধান কৰি ইয়াৰ প্ৰতিবাদ সাব্যস্ত কৰে।

# কবি দিপ্তী দেৱী শৰ্মালৈ আম্বেদকাৰ ফেল'শ্বিপ সন্মান

**ই-সংবাদ, বেবেজীয়া, ২০ ডিচেম্বৰঃ** নগাঁও জিলাৰ চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন কৃতী ছাত্ৰী, সুলেখিকা, কবি তথা ৰহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা দিপ্তী দেৱী শৰ্মালৈ এইবাৰ আগবঢ়োৱা হৈছে 'ড০ আম্বেদকাৰ ফেল'শ্বিপ নেশ্ব'নেল এৱাৰ্ড-২০২৪' । সুদীৰ্ঘ কাল ধৰি পৱিত্ৰ শিক্ষাবৃত্তিৰ লগতে সাহিত্য আৰু সামাজিক ক্ষেত্ৰখনত একাত্মভাৱে জড়িত থাকি সমাজলৈ আগবঢ়োৱা উল্লেখনীয় অৱদানৰ স্বীকৃতি স্বৰূপে দিপ্তী দেৱী শৰ্মালৈ ভাৰতীয় দলিত সাহিত্য একাডেমীয়ে আগবঢ়াইছে এই সন্মান। নতুন দিল্লীৰ পঞ্চশীল আশ্ৰমৰ আম্বেদকাৰ মণ্ডপত যোৱা ৮ আৰু ৯ ডিচেম্বৰত দুদিনীয়াকৈ আয়োজিত ৪০ সংখ্যক ৰাষ্ট্ৰীয় দলিত লেখক সমাৰোহত আনুষ্ঠানিকভাৱে এই বঁটাটি প্ৰদান কৰা হয়। দেশৰ বিভিন্ন প্ৰান্তৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এৱাৰ্ডটো গ্ৰহণ কৰি দিপ্তী দেৱী শৰ্মাই পৰম সন্তুষ্টি লভাৰ কথা ব্যক্ত কৰি এনে সন্মানে সমাজৰ হকে সেৱা আগবঢ়োৱাত প্ৰেৰণা যোগায় বুলি মন্তব্য কৰে। উল্লেখ্য, ইতিমধ্যে অসম সাহিত্য সভাৰ 'প্ৰেৰণা বঁটা', নগাঁও জিলা প্ৰশাসনৰ পৰা 'সুশ্মা স্বৰাজ বঁটা', অসম শিল্পী কাননৰ পৰা 'ড০ বীৰেন্দ্ৰ নাথ বঁটা'ৰ লগতে বহু অনুষ্ঠানৰ দ্বাৰা সন্মানিত হোৱা শৰ্মাই ৰহা মহাবিদ্যালয়ত শিক্ষা বিভাগৰ অধ্যাপিকা হিচাপে শিক্ষাদান কৰাৰ পৰৱৰ্তী পৰ্যায়ত একেখন মহাবিদ্যালয়ৰ পৰাই ২০১৫ চনত অধ্যক্ষা হিচাপে অৱসৰ গ্ৰহণ কৰে। শিক্ষাদানৰ সমান্তৰালভাৱে কাব্য তথা সাহিত্য চৰ্চাক অন্তঃকৰণেৰে ভালপোৱা দিপ্তী দেৱী শৰ্মাই দীৰ্ঘদিনৰে পৰা নিৰৱচ্ছিন্নভাৱে কাব্য আৰু সাহিত্য চৰ্চাত মনোনিৱেশ কৰি আহিছে। ইতিমধ্যে তেওঁৰ বহুসংখ্যক কবিতা, গল্প, প্ৰবন্ধ তথা তত্বগধূৰ লেখা বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ পোৱাৰ লগতে তেওঁ কবিতা, গল্প, উপন্যাস, প্ৰবন্ধ আৰু ভ্ৰমণ কাহিনী আদিৰে ১০ খন গ্ৰন্থও লেখি উলিয়াইছে। ইয়াৰ ভিতৰত তিনিবাৰকৈ আমেৰিকা আৰু কানাডা ভ্ৰমণ কৰি লিখা 'নীল সৰোবৰৰ পাৰে পাৰে' আৰু 'শুভ্ৰ গিৰিমালাৰ শিখৰে শিখৰে' নামেৰে দুখন ভ্ৰমণ কাহিনীৰ গ্ৰন্থৰ লগতে ৰহা মহাবিদ্যালয়ক লৈ ৰচনা কৰা 'গুৰুকুল কমল শোভিত' নামৰ উপন্যাস বিশেষভাৱে উল্লেখনীয়। তদুপৰি তেওঁ বৰ্তমান ৰহা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী, অসম সাহিত্য সভাৰ হিতৈষী সদস্যা, 'নাৰী আৰু নদী' অনুষ্ঠানৰ মুখ্য উপদেষ্টাকে ধৰি কেইবাটাও অনুষ্ঠানৰ জৰিয়তে সামাজিক ক্ষেত্ৰখনৰ লগত সক্ৰিয় ৰূপত জড়িত থাকি সম্পূৰ্ণৰূপে সেৱা আগবঢ়াই আহিছে।

## মালিক পক্ষৰ বিৰুদ্ধে শোষণ-বঞ্চনাৰ অভিযোগ শ্ৰমিকৰ

# গোৱালপাৰাৰ শিমলিতোলা চাহ বাগিচা শ্ৰমিকৰ হাঁহাকাৰ

**ই-সংবাদ, শিমলীতোলা, ২০ ডিচেম্বৰঃ** গোৱালপাৰা জিলাৰ পূব গোৱালপাৰা সমষ্টিৰ শশী কুমাৰ চাহ বাগিচাৰ শ্ৰমিকসকলে অসমৰ অইন অইন ঠাইৰ দৰে দশক দশক কাল নিৰিখ ভিত্তিত বাগানৰ শীতকালীন কলম কটা কামৰ বিপৰীতে হঠাৎ মালিক পক্ষই ৮ ঘণ্টাহে কামৰ সময়সীমা ধাৰ্য কৰি দিয়াক লৈ শ্ৰমিকসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। ২১ দিনৰ পূৰ্বে কোনো আগতীয়া জাননী নিদিয়াকৈ গোৱালপাৰাৰ শিমলীতোলাৰ শশী কুমাৰ চাহ বাগিচাত মালিক পক্ষৰ এই সিদ্ধান্তই শ'লঠেকত পেলাইছে বাগিচা শ্ৰমিকসকলক। যোৱা ২ ডিচেম্বৰৰ পৰা কামৰ পৰা শ্ৰমিক-মজদুৰসকল বিৰত থকাৰ ফলত প্ৰতিটো পৰিয়ালৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। আনহাতে, মালিক পক্ষই পশ্চিমবংগৰ পৰা আমদানি কৰা শ্ৰমিকেৰে নীতি বহিঃভূৰ্তভাৱে কাম কৰিবলৈ লোৱাত শ'লঠেকত পৰিছে বাগানৰ নিয়মীয়া শ্ৰমিকসকল। ফলত বৃহস্পতিবাৰৰ পুৱাই সঠিক সিদ্ধান্ত গ্ৰহণৰ বাবে সমবেত হয় বাগিচাৰ শতাধিক শ্ৰমিক পুৰুষ-মহিলা। বাগিচাৰ কৰ্মচাৰীৰ দৰমহা বন্ধ কৰি বাহিৰৰ শ্ৰমিকক মকৰল কৰাৰো গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী শ্ৰমিকসকলে। শীঘ্ৰে জিলা প্ৰশাসন তথা চৰকাৰলৈ বিষয়টোৰ সুমীমাংসাৰ জৰিয়তে শশী কুমাৰ চাহ বাগিচাৰ ভুক্তভোগী শ্ৰমিকসকলে দাবী উত্থাপন কৰিছে।




# দুলীয়াজান লেখিকা সংস্থাৰ মধ্যকালীন অধিৱেশন সম্পন্ন

**ই-সংবাদ, দুলীয়াজান, ২০ ডিচেম্বৰঃ** দুলীয়াজানৰ পুৰণা বাছ আস্থানস্থিত দুলীয়াজান সাহিত্য সভা ভৱনত কালি দুলীয়াজান লেখিকা সংস্থাৰ মধ্যকালীন অধিৱেশনখন সফলভাৱে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পূৰ্ব নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি পুৱা লেখিকা সংস্থাৰ পতাকা উত্তোলন কৰে দুলীয়াজান লেখিকা সংস্থাৰ সভাপতি মিতালী মহন্তই আৰু স্মৃতি তৰ্পণ কৰে প্ৰাক্তন সভাপতি বিজয়া বৰুৱা আৰু উপদেষ্টা বিমলী নাথে। ইয়াৰ পিছতে লেখিকা সকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। দীপিকা শইকীয়া বিচাৰক হিচাপে উপস্থিত থকা প্ৰতিযোগিতা পৰিচালনা কৰে নিজু ৰাভা গগৈয়ে। বিয়লি মিতালী মহন্তৰ পৌৰহিত্যত অনুষ্ঠিত মুকলি সভাত উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় সম্পাদক শোভামণি দত্ত তামুলীয়ে। অসম চিকিৎসা মহাবিদ্যালয়ৰ জ্যেষ্ঠ চিকিৎসক ডাঃ মনামী দাস বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সভাত বিশিষ্ট চলচ্চিত্ৰ পৰিচালক, প্ৰযোজক যদুমণি দত্ত, সহ প্ৰযোজক ৰীতা দত্ত আৰু নন্দিনী শৰ্মা দত্তক লেখিকা সংস্থাই সম্বৰ্ধনা জ্ঞাপন কৰে। শোভামণি দত্ত তামুলী আৰু স্বপ্না দেৱী নাথে আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত দুলীয়াজান সাহিত্য সভাৰ সভাপতি ৰঞ্জন মহন্ত ,উত্তৰণ কবি চক্ৰৰ সভাপতি বিনোদ বড়া , সদৌ অসম কবি সন্মিলনৰ যুটীয়া সম্পাদক পবিত্ৰ বৰঠাকুৰ , জ্যেষ্ঠ সাংবাদিক ব্ৰজেন গগৈ, জয়ন্ত ভুঞাৰ লগতে প্ৰশান্ত দত্ত , অণু শইকীয়া , দীপালী তামুলী আদি বিশিষ্ট ব্যক্তি সকল নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। আনহাতে মধ্যকালীন অধিৱেশনৰ লগত সঙ্গতি ৰাখি অনলাইন যোগে লেখিকা সংস্থাৰ সদস্যসকলৰ মাজত অনুষ্ঠিত কৰা কবিতা আৰু গল্প প্ৰতিযোগিতাত সবিতা বৰুৱা দত্তই শ্ৰেষ্ঠ কবিৰ সন্মান আৰু ৰীনা বিশ্বাসে শ্ৰেষ্ঠ গল্পকাৰৰ সন্মান লাভ কৰে।

# কামৰূপত ১৯ ডিচেম্বৰৰ পৰা 'সুশাসন সপ্তাহ'

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২০ ডিচেম্বৰঃ** সমগ্ৰ দেশৰ লগতে কামৰূপ জিলাতো জিলা প্ৰশাসনৰ উদ্যোগত চতুৰ্থ সুশাসন সপ্তাহ- 'প্ৰশাসন গাঁৱৰ দিশে' উদযাপন কৰা হৈছে। ১৯ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ চলিবলগীয়া 'প্ৰশাসন গাঁৱৰ দিশে ২০২৪' হৈছে সুশাসনৰ লক্ষ্যৰে চলোৱা এক দেশজোৰা অভিযান। এই চতুৰ্থ সুশাসন সপ্তাহৰ অংশ হিচাপে কামৰূপ জিলা প্ৰশাসনে সকলো ৰাজহ চক্ৰ, উন্নয়ন খণ্ড আৰু অন্যান্য বিভাগসমূহৰ কাৰ্যালয়ক অভিযোগ নিষ্পত্তি কেন্দ্ৰ হিচাপে অধিসূচিত কৰিছে যাতে এই কেন্দ্ৰৰ জৰিয়তে সংশ্লিষ্ট উন্নয়ন খণ্ড আৰু ৰাজহ চক্ৰৰ কাৰ্যালয় আৰু বিভাগসমূহে নিজ নিজ আওতাৰ ভিতৰত থকা বিষয়সমূহৰ সৈতে সম্পৰ্কিত ৰাজহুৱা অভিযোগসমূহ গ্ৰহণ কৰিব পাৰে আৰু সেইসমূহ নিষ্পত্তি কৰিব পাৰে। মূলতঃ ৰাজহুৱা অভিযোগ নিষ্পত্তিকৰণ আৰু উন্নত সেৱা প্ৰদান কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। জিলা প্ৰশাসনে অভিযোগ নিষ্পত্তি কেন্দ্ৰৰ জৰিয়তে ৰাজহুৱা অভিযোগ গ্ৰহণ আৰু নিষ্পত্তিৰ বাবে নিৰ্ধাৰণ কৰা তাৰিখসমূহ হৈছে ক্ৰমে- উন্নয়ন খণ্ডৰ কাৰ্যালয়সমূহৰ বাবে ১৭ ডিচেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ, ৰাজহ চক্ৰৰ কাৰ্যালয়সমূহৰ বাবে ১৭ ডিচেম্বৰৰ পৰা ২১ ডিচেম্বৰলৈ আৰু অন্যান্য বিভাগৰ কাৰ্যালয়ৰ বাবে ১৭ ডিচেম্বৰৰ পৰা ২২ ডিচেম্বৰলৈ। কামৰূপ জিলা প্ৰশাসনে এই সুশাসন সপ্তাহৰ সময়ছোৱাতে সকলো অভিযোগ নিষ্পত্তি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

# ডিব্ৰুগড় সাহিত্য সভাৰ দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশন সম্পন্ন

**ই-সংবাদ, ডিব্ৰুগড়, ২০ ডিচেম্বৰঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি হিচাপে বিশিষ্ট লেখিকা, গল্পকাৰ জ্যোতি বৰগোহাঁই আৰু সম্পাদক হিচাপে জ্যেষ্ঠ সাংবাদিক ৰাতুল গোহাঁই নিৰ্বাচিত হয়। ডিব্ৰুগড় সাহিত্য সভাৰ পূৰ্ণাংগ দ্বি-বাৰ্ষিক অধিৱেশনত এখন নতুন সমিতি গঠন কৰা হয়। দ্বি-বাৰ্ষিক অধিৱেশনতে ডিব্ৰুগড় সাহিত্য সভাই বিশিষ্ট নৃত্য শিল্পী ৰুবী গগৈ সন্দিকৈক প্ৰদান কৰে 'শিল্প সাধনা বঁটা'। ডিব্ৰুগড় সাহিত্য সভা ভৱনত দিনজোৰা কাৰ্যসূচীৰে ডিব্ৰুগড় সাহিত্য সভাৰ পূৰ্ণাংগ দ্বি-বাৰ্ষিক অধিৱেশনখনি অনুষ্ঠিত হয়। পুৱাৰ ভাগত সহকাৰী সম্পাদক যাদৱ গগৈয়ে আঁত ধৰা কাৰ্যসূচীত সভাপতি ড০ শশীকান্ত শইকীয়াই পতাকা উত্তোলন, উপ-সভাপতি বিভাস দুৱৰাই বন্তি প্ৰজ্বলন আৰু সম্পাদক ৰাতুল গোহাঁইয়ে স্মৃতি তৰ্পণ কৰে। ইয়াৰ পাছতে শেষৰখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হোৱাৰ লগতে কাৰ্যকালৰ প্ৰতিবেদন দাখিল কৰে ৰাতুল গোহাঁয়ে। প্ৰাক্তন সম্পাদক চন্দন ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাধাৰণ সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক লৰণু শইকীয়া আৰু কাৰ্যনিৰ্বাহক সদস্য ডিম্বেশ্বৰ ভূঞা। এই সভাতে সৰ্বসন্মতিক্ৰমে বিশিষ্ট লেখিকা, গল্পকাৰ তথা ডিব্ৰু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোতি বৰগোহাঁইক সভাপতি আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল গোহাঁইক পুনৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। আনহাতে, লেখক-সাংবাদিক যাদৱ গগৈক উপ-সভাপতি হিচাপে লৈ ২৮ জনীয়া কমিটী গঠন কৰা হয়। দুপৰীয়ালৈ অনুষ্ঠিত মুকলি সভা আৰু বঁটা বিতৰণী সভাত বিশিষ্ট নৃত্য শিল্পী ৰুবী গগৈ সন্দিকৈক ডিব্ৰুগড় সাহিত্য সভাৰ তৰফৰ পৰা 'শিল্প সাধনা বঁটা-২০২৪' প্ৰদান কৰা হয়। উল্লেখ্য যে, ৰুবী গগৈ সন্দিকৈ গগৈয়ে শৈশৱৰে পৰা বৰ্তমানলৈকে নৃত্য শিল্পৰ সাধনা কৰাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য, অসমীয়া জাতিৰ প্ৰাণ বিহুগীত, বিহুনাম, বিহুনাচ তথা সত্ৰীয়া সংস্কৃতি চৰ্চা আৰু প্ৰশিক্ষণ প্ৰদান কৰি অসমৰ জাতীয় সাংস্কৃতিক জীৱন সমৃদ্ধ কৰাৰ ক্ষেত্ৰত গুৰু দায়িত্ব পালন কৰি আহিছে। অসমৰ ভাষা, সাহিত্য, সংস্কৃতি চৰ্চা, প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত শিল্পীগৰাকীয়ে যোগাই অহা অতুলনীয় অৰিহণাৰ বাবে ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাই প্ৰদান কৰে 'শিল্প সাধনা বঁটা'। মুকলি সভাত বিদায়ী সভাপতি বিশিষ্ট সাহিত্যিক ড০ শশীকান্ত শইকীয়া, বিশিষ্ট লেখক-সাংবাদিক চন্দন ফুকন, ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি বিভাস দুৱৰা, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক লৰণু শইকীয়া, কাৰ্যনিৰ্বাহক ডিম্বেশ্বৰ ভূঞাকে প্ৰমুখ্যে কৰি বিশিষ্ট ব্যক্তিসকল।

# দুৱাৰমৰা ঘূৰণী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক সোমেশ্বৰ মৰাণৰ বিদায় সভা আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ প্ৰস্তুতি তুংগত

**ই সংবাদ, ডুমডুমা , ২০ ডিচেম্বৰঃ** ১৯৮৬ চনত স্থাপিত কাকপথাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত দুৱাৰমৰা ঘূৰণী মধ্য ইংৰাজী বিদ্যালয়খনে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে ইতিমধ্যে ৩৮ টা বছৰ গৰকিলে। ১৯৯২ চনত স্বীকৃতি লাভ কৰা বিদ্যালয়খনে বিগত ৩৮ বছৰে একাংশ মানৱ সম্পদ গঢ় দিয়াই নহয়, বৃহত্তৰ কাকজান অঞ্চলটোৰ শৈক্ষিক পৰিৱেশ তথা বাতাবৰণ সৃষ্টিত যথেষ্ট অৰিহনা যোগাই আহিছে। বিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ পৰাই শিক্ষকতা কৰি অহা তথা বৰ্তমানৰ প্ৰধান শিক্ষক সোমেশ্বৰ মৰাণে শিক্ষকতাৰ জীৱনৰ পৰা অহা ৩১ ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰিব। বিদ্যালয়খনৰ অন্যতম প্ৰতিষ্ঠাপক শিক্ষকগৰাকীক ৰাজহুৱা বিদায় সম্বৰ্দ্ধনা জনোৱাৰ উদ্দেশ্যেৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সতীৰ্থ সন্মিলনীৰ উদ্যোগত বিদ্যালয়খনৰ প্ৰাংগণত অহা ৩০ আৰু ৩১ ডিচেম্বৰত দুদিনীয়া বিস্তৃত তথা বৰ্ণাঢ্য কাৰ্যসূচীৰে বিদায় সম্বৰ্দ্ধনা আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ৩০ ডিচেম্বৰৰ পুৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণৰ পাছত ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হব বিভিন্ন প্ৰতিযোগিতাৰ। ৩১ ডিচেম্বৰৰ পুৱা ৮:৩০ বজাত বিশাল বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰে প্ৰধান শিক্ষক সোমেশ্বৰ মৰাণক বিদ্যালয়লৈ আদৰি অনাৰ পাছতেই ৩৮ গৰাকী বিশিষ্ট ব্যক্তিয়ে উত্তোলন কৰিব ৩৮ খনকৈ পতাকা। তাৰ পাছত অনুষ্ঠিত হব সভা আৰু বঁটা বিতৰণী অনুষ্ঠান। মুকলি সভাত আদৰণী ভাষণ আগবঢ়াব প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ সভাপতি অভিজিত মৰাণে। সভাৰ উদ্বোধন কৰিব প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৰমেশ মৰাণে। মুকলি সভাতেই এখনি স্মৃতিগ্ৰন্থও উন্মোচন কৰা হ'ব। দিনৰ এক বজাৰ পৰা অনুষ্ঠিত হব সোমেশ্বৰ মৰাণৰ ৰাজহুৱা বিদায় সম্বৰ্ধনা অনুষ্ঠান। শেষত অনুষ্ঠিত হব সাংস্কৃতিক অনুষ্ঠানৰ। দুৱাৰমৰা ঘূৰণী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক সোমেশ্বৰ মৰাণৰ বিদায় সভা আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ দুয়োটা দিনৰ সমূহ কাৰ্যসূচীতে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শুভাকাংক্ষীৰ লগতে অঞ্চলটোৰ সমাজ সচেতন ব্যক্তিৰ সহায়-সহযোগিতা তথা উপস্থিতি উদ্যোক্তাসকলে আন্তৰিকতাৰে কামনা কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ২০ হাজাৰ কোটি! আৰু ধনী হ'ল বিচিচিআই

**নতুন দিল্লী, ২০ ডিচেম্বৰঃ** অধিক ধনী হ'ল বিশ্বৰ ভিতৰতে আটাইতকৈ ধনী ক্ৰিকেট ব'ৰ্ড বিচিচিআই। উল্লেখ্য যে, যোৱাটো বছৰত ব'ৰ্ডৰ মুঠ সম্পত্তিৰ পৰিমাণ আছিল ১৬,৪৯৩ কোটি টকা। চলিত বিত্তীয় বৰ্ষত এই সম্পত্তিৰ পৰিমাণ ৪২০০ কোটি টকা বৃদ্ধি হৈ ২০,৬৮৬ কোটি হৈ পৰিছে। উল্লেখ্য যে, মূলতঃ আই পি এল আৰু দ্বিপাক্ষিক ছিৰিজৰ মিডিয়া স্বত্ব বিক্ৰী কৰি এই বৃহৎ উপাৰ্জন কৰিছে বিচিচিআইয়ে। ২০২২ চনৰ জুন মাহত বিচিচিআইয়ে ৫ বছৰৰ বাবে আইপিএলৰ মিডিয়া ৰাইটছ ৪৮,৩৯০ কোটি টকাত বিক্ৰী কৰিছিল। ইয়াৰ ফলত চলিত বিত্তীয় বৰ্ষত ৮,৯৯৫ কোটি টকাৰ ৰাজহ লাভ কৰে সংস্থাটোৱে। একে সময়তে বিচিচিআইৰ পুঁজিৰ পৰিমাণো ৭,৯৮৮ কোটি টকালৈ বৃদ্ধি পাইছে। মন কৰিবলগীয়া যে, বিশ্বৰ সৰ্ববৃহৎ ক্ৰিকেট বজাৰ হিচাপে ভাৰতৰ অৱদান বৃহৎ। আইচিচিৰ ৰাজহৰ এক বৃহৎ অংশ ভাৰতীয় বজাৰৰ পৰা আহে, যাৰ ফলত ভাৰতীয় ব'ৰ্ডে লাভৰ সিংহভাগ লাভ কৰে। এই কাৰণেই বি চি চি আই অধিক ধনী হৈ আহিছে। অহা বিত্তীয় বৰ্ষত ব'ৰ্ডৰ আয় আৰু অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

# পাইলটৰ ভুলৰ বাবেই দুৰ্ঘটনাত পতিত হৈছিল চিডিএছৰ হেলিকপ্টাৰ!

**নতুন দিল্লী, ২০ ডিচেম্বৰঃ** হেলিকপ্টাৰ পাইলটৰ ভুলৰ বাবেই কৰুণ মৃত্যু ঘটিছিল সেনা প্ৰধান (চীফ অৱ ডিফেন্স ষ্টাফ বা চিডিএছ) জেনেৰেল বিপিন ৰাৱটৰ। ২০২১ চনৰ ৪ ডিচেম্বৰত তামিলনাডুত সংঘটিত হোৱা হেলিকপ্টাৰ দুৰ্ঘটনাৰ তিনি বছৰৰ পাছত এই তথ্য পোহৰলৈ আহিছে সংসদীয় প্ৰতিৰক্ষা স্থায়ী সমিতিৰ প্ৰতিবেদনত। উল্লেখ্য যে, তামিলনাডুৰ চুলুৰৰ পৰা ৱেলিংটন অভিমুখে গৈ থকা সময়তে ২০২১ ৬ ডিচেম্বৰত এখন চাহ বাগিচাত ভূপতিত হৈছিল সেনাবাহিনীৰ এখন এমআই-১৭, ভি-৫ হেলিকপ্টাৰ। এই দুৰ্ঘটনাত চিডিএছ বিপিন ৰাৱট, তেওঁৰ পত্নী মধুলিকাকে ধৰি ১২ জন লোকে প্ৰাণ হেৰুৱায়। দুৰ্ঘটনাৰ পিছত চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটে গ্ৰুপ কেপ্টেইন বৰুণ সিং নামৰ হেলিকপ্টাৰ পাইলটজনৰো। খবৰ অনুসৰি হেলিকপ্টাৰখনে গছত খুন্দা মৰাৰ পিছতে জুই লাগি ভূপতিত হয়। স্থানীয় ৰাইজে জনোৱা মতে, দুৰ্ঘটনাৰ পিছত বৰুণ সিঙে হেলিকপ্টাৰখনৰ পৰা নামিবলৈ চেষ্টা কৰিছিল। তেওঁৰ শৰীৰৰ বিভিন্ন অংগ জ্বলি গৈছিল। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ প্ৰতিবেদনত স্পষ্টকৈ উল্লেখ আছে যে হেলিকপ্টাৰ পাইলটৰ ভুলৰ বাবেই এই দুৰ্যোগ সংঘটিত হৈছিল। একে সময়তে ২০২১ চনৰ পৰা ২০২৩ চনলৈ বায়ুসেনাত মুঠ ৩৪টা বিমান আৰু হেলিকপ্টাৰ দুৰ্ঘটনা সংঘটিত হোৱা বুলিও প্ৰতিবেদনত উল্লেখ কৰা হৈছে।



নিউজিলেণ্ড মহিলা দলৰ বিৰুদ্ধে অষ্ট্ৰেলিয়া

# 'টোছেহিম'ৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস



**ই-সংবাদ, ডুমডুমা, ২০ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত দাইছাজানত বৰ্তমানৰ মুখ্য কাৰ্যালয়স্থিত " দ্যা অৰ্কিড ছ'চাইটি অৱ ইষ্টাৰ্ণ হিমালয়া" চমুকৈ, টোছেহিম (TOSEHIM) ৰ চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠানটি কালি ইয়াৰ সমীপৰ ৰূপাইস্থিত ডুমডুমা মহাবিদ্যালয়ৰ সভাকক্ষত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। চলিত বৰ্ষৰ বৰ্ষপূৰ্তিৰ লগত সংগতি টোছেহিমৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হাৰ্বেৰিয়াম লগতে গ্ৰন্থাগাৰটো উন্মোচন কৰে অনুষ্ঠানৰ মুখ্য অতিথি তথা ভাৰতীয় উদ্ভিদ জৰীপ বিভাগৰ (বটা'নিকেল চাৰ্ভে অৱ ইণ্ডিয়া) ৰ সন্মানীয় সঞ্চালক ড° আচোহি আচোচু মাওৱে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে চিকিমৰ কালিমপঙস্থিত চিনকোনা গৱেষণা কেন্দ্ৰৰ সঞ্চালক তথা প্ৰসিদ্ধ উদ্ভিদ বিজ্ঞানী ড° চেমুৱেল ৰায় আৰু ভাৰতীয় উদ্ভিদ জৰীপ বিভাগৰ চিকিমস্থিত পূব হিমালয় ক্ষেত্ৰীয় কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° ৰাজীৱ গগৈ। ডুমডুমা মহাবিদ্যালয়, ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ লগতে অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা পৰিষদৰ সহযোগত আয়োজন কৰা টোছেহিমৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি সংস্থাটোৱে প্ৰখ্যাত উদ্ভিদ বিজ্ঞানী ড° আচোহি আচোচু মাওক সংস্থাৰ ২০২৪ বৰ্ষৰ জীৱনযোৰা সাধনা বঁটা প্ৰদান কৰে। উল্লেখ্য যে, ড° এ এ মাও হৈছে উত্তৰ ভাৰতৰ পৰা নিৰ্বাচিত হোৱা ভৰতীয় উদ্ভিদ জৰীপ বিভাগৰ প্ৰথমগৰাকী সঞ্চালকপ্ৰধান। ১৯৯৬ চনত লণ্ডনৰ বিখ্যাত ৰিডিং বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী অৰ্জন কৰা মাৰে বিশেষকৈ ৰোডোডেণ্ড্ৰন, কপৌফুল, দুৰ্লভ আৰু সংকটাপন্ন উদ্ভিদ আৰু ঔষধি উদ্ভিদৰ ওপৰত গৱেষণা কৰাৰ লগতে এই সন্দৰ্ভত দুই শতাধিক গৱেষণা-পত্ৰও প্ৰকাশ কৰিছে। তেখেতে লগতে Flora of Dzuko Valley, Rhododendrons of North-east India (A Pictorial Handbook), Flora of Nagaland Checklist and orchids of Manipur (A pictorial handbook) - আদি বহুকেইখন উচ্চমান বিশিষ্ট গ্ৰন্থও প্ৰকাশ কৰি উলিয়াইছে।তেখেতৰ অনবদ্য বৈজ্ঞানিক অৱদানৰ বাবে টোছেহিমে এই বঁটাৰে সন্মানিত কৰে। বঁটাৰ সৈতে এখনি অংগবস্ত্ৰ, শৰাই, মানপত্ৰ আৰু ফলকেৰেও তেখেতক সন্মানিত কৰা হয়। লগতে টোছেহিমৰ বাৰ্ষিক পত্ৰিকাখনৰ তৃতীয় সংখ্যাটোও উন্মোচন কৰা হয় উক্ত অনুষ্ঠানতেই। অনুষ্ঠানতেই ড° এ এ মাওৱে টোছেহিমৰ চলিত বৰ্ষৰ বাৰ্ষিক বক্তৃতাও প্ৰদান কৰে। নিজৰ ভাষণত তেখেতে উত্তৰ-পূবৰ জৈৱ বৈচিত্ৰতাৰ কথা কোৱাৰ লগতে আমাৰ বহুত আছে, কিন্তু বহু কৰিবলৈ আছে বুলি কয়। তেখেতে লগতে দেশ-বিদেশৰ কপৌফুলৰ ওপৰত তত্বগধুৰ আলোকপাত কৰে। অনুষ্ঠানত ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, ডুমডুমা মহাবিদ্যালয়, ৰূপাই হাই স্কুল, ৰিফ্লেক্সন চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ফালৰ পৰা আটাইকেইগৰাকী বিজ্ঞানীকে সন্মানিত কৰা হয়। ভাৰতবৰ্ষৰ পূৱ হিমালয়ৰ অগ্ৰণী কপৌফুলৰ গৱেষণা তথা সংৰক্ষণৰ হকে বিগত এটা দশকতকৈ অধিককাল কাম কৰি যোৱা পঞ্জীয়নভুক্ত সংস্থা " দ্যা অৰ্কিড ছ'চাইটি অৱ ইষ্টাৰ্ণ হিমালয়া " ই ড° চেমুৱেল ৰায়ৰ লগতে অসমৰ সু-সন্তান তথা বিশিষ্ট উদ্ভিদ বিজ্ঞানী ড° ৰাজীৱ গগৈকো বিশেষভাৱে সম্বৰ্দ্ধনা জনায়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোৰ আঁত ধৰে টোছেহিমৰ কাৰ্যবাহী সচিব তথা গুৱাহাটী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক তথা জনপ্ৰিয় বিজ্ঞান লেখক ড° জিন্টু শৰ্মাই।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি